School Leadership

বিদ্যালয়ৰ নেতৃত্ব

# Orientation: the elementary school leader as enabler

# এজন সমৰ্থবান হিচাবে প্ৰাথমিক বিদ্যালয়ৰ মুৰব্বী





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

এই স্কুল লিডাৰশ্বিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ চজ্জটা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যক্ৰমিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।
নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰশ্বিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপৰ পাঠ্যক্ৰমিক পৰিকাঠামোৰ সৈতে সংঘবদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰশ্বিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়বদ্ধ ব্যক্তিক বুজাইছে।

## ভিডিঅ' সম্পদ *Video resources*

Tess Indiaৰ স্কুল লিডাৰশ্বিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ' কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিবলৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।
Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।
Tess India প্ৰকল্পৰ বিষয়ে
ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।
ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে ৱজ্ঞপ্ত Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।
Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যক্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।
Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL01v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

বিগত কিছুবছৰত ভাৰতবৰ্ষৰ শিক্ষানীতিত বহুতো পৰিৱৰ্তন ঘটিছে, কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে বিদ্যালয়ৰ পৰিৱৰ্তন সাধন। উচ্চ প্ৰত্যাশা এইটো যে বিদ্যালয়বোৰ অধিক স্বতন্ত্ৰ হোৱা আৰু স্থানীয় ৰাইজক উত্তৰ দিওঁতা হোৱা উচিত। সেইবাবে বিদ্যালয়ৰ মুৰব্বীসকলে শিক্ষণ আৰু শিকনৰ মান উন্নত কৰাত গুৰু দায়িত্ব লোৱা উচিত। (Tyagi,2011)

TESS-Indiaৰ মুক্ত শৈক্ষিক সমলৰ মূল লক্ষ্য হৈছে বিদ্যালয়ৰ নেতৃত্ব লোৱা ব্যক্তিসকলক সহায় কৰা, যাতে তেওঁলোকৰ বিদ্যালয়সমূহক সক্ৰিয় ছাত্ৰ-ছাত্ৰী আৰু অংশগ্ৰহণকাৰী শিক্ষকৰ জৰিয়তে একো একোখন গতিশীল শিকন পৰিৱেশলৈ পৰিৱৰ্তন কৰাত সমৰ্থ কৰি তুলিব পাৰে। যিবোৰত এনে অনুশীলনৰ কোনো অস্তিত্বই নাই, সেইবোৰৰ বাবে এইটো এটা প্ৰত্যাহ্বানমূলক কাম হ'ব পাৰে যদিও শিক্ষকসকলৰ বিদ্যালয়ৰ পৰিৱেশত কৰিব পৰা গুৰুত্বপূৰ্ণ কৰ্তৃত্ব থাকে। এই গোটটোৱে মুৰব্বীজনৰ স্থান এজন সক্ষমকাৰী হিচাপে নিৰ্ধাৰণ কৰে, যিজনে তেওঁৰ ভূমিকাটো বিদ্যালয় এখনৰ কাম-কাজ সম্পন্ন হোৱাৰ বাবে প্ৰয়োগ কৰে। এই ভূমিকা পালনৰ বাবে TESS-Indiaৰ মুক্ত শিক্ষাল সমলসমূহে আপোনাক - "সঁজুলি বাকচ" যোগান ধৰি সহায় কৰে।প্ৰশিক্ষণৰ এই প্ৰথম গোটটোৰ মুখ্য উদ্দেশ্য হৈছে আপোনাৰ নিজৰ বিকাশ সাধনৰ বাবে TESS-India ৰ বিদ্যালয়ৰ নেতৃত্ব সম্পৰ্কীয় মুক্ত শিক্ষা সমলটো কেনেকৈ ব্যৱহাৰ কৰিব লাগিব সেই বিষয়ে পৰিচয় কৰোৱা। এই সমলবোৰৰ মূল ধাৰণাটো এই যে শিক্ষণ হৈছে এক জীৱনজোৰা আৰু অবিৰত প্ৰক্ৰিয়া সেয়ে শিক্ষকে ফলপ্ৰসূভাৱে শিকিব লাগে, তেওঁলোকৰ বিদ্যালয়ৰ মুৰব্বীসকলো শিকাৰু হোৱা প্ৰয়োজন।

## শিকন দিনলিপি (Learning Diary)

এই গোটটোত আপুনি কাম কৰাৰ সময়ত আপোনাৰ শিকন দিনলিপিত টোকা লিখি ৰাখিবলৈ কোৱা হ'ব—সেয়া হ'ব পাৰে এখন বহী নতুবা এটা খাম বা ফোল্ডাৰ (Folder) য'ত আপুনি আপোনাৰ ভাববোৰ আৰু পৰিকল্পনাবোৰ সংগ্ৰহ কৰি একত্ৰিত কৰি ৰাখিব। সম্ভৱতঃ আপুনি ইতিমধ্যে এনে এটা কাম আৰম্ভ কৰিছেই

আপুনি এই গোটটোৰ সহায়েৰে অকলে কাম কৰিবলগীয়া হ'ব পাৰে, কিন্তু আপুনি যদি আন এখন বিদ্যালয়ৰ মুৰব্বী এজনৰ লগত আপোনাৰ শিকন সম্পৰ্কে আলোচনা কৰিবলৈ সমৰ্থ হয়, তেনেহ'লে আপুনি বেছি শিকিব। তেওঁ এজন সহকৰ্মীও হ'ব পাৰে, যাৰ লগত ইতিমধ্যে একেলগে কাম কৰিছে নাইবা কোনো এজন ব্যক্তি যাৰ লগত আপুনি এটা নতুন সম্বন্ধ গঢ়িব পাৰে। এইটো আপুনি এটা সংগঠিত ৰূপত বা একেবাৰে অনানুষ্ঠানিকভাৱে কৰিব পাৰিব। যিবোৰ টোকা আপুনি শিকন দিনলিপিত লিপিবদ্ধ কৰিছে সেইবোৰ এনেধৰণৰ সভাৰ বাবে প্ৰয়োজনীয়, লগতে যেতিয়া আপুনি শিকন আৰু বিকাশৰ বাবে দীৰ্ঘম্যাদী মেপিং কৰে।

# এই গোটত আপুনি কি শিকিব পাৰিব (What you can learn in this unit)

- বিদ্যালয়ৰ নেতৃত্ব মুৰব্বীৰ কৌশলসমূহ পুনৰীক্ষণ কৰিব পাৰিব আৰু ক্ষেত্ৰসমূহ চিনাক্ত কৰিব পাৰিব, যিবোৰ উন্নত কৰাৰ প্ৰয়োজন।
- TESS-Indiaৰ মুক্ত শৈক্ষিক সমলসমূহ আপোনাৰ শিকনৰ পথসমূহ সজাবলৈ ব্যৱহাৰ কৰক, যিবোৰে আপোনাৰ বিদ্যালয় নেতৃত্বৰ কৌশলসমূহ বৃদ্ধি কৰে।
- আপোনাৰ বিদ্যালয়ত এজন শিকন সামৰ্থকাৰী বুলিলে কি বুজায়?

# ভাৰতৰ বিদ্যালয়ৰ এজন মুৰব্বী হিচাবে (Being a School Leader in India)

শিক্ষাৰ অধিকাৰ আইন-২০০৯ ৰ প্ৰৱৰ্ত্তনে ভাৰতৰ বিদ্যালয়সমূহক আগতকৈ বেছি স্বতন্ত্ৰ সুবিধা দিছে। আন কিছুমান দেশত এই কামটো ইতিমধ্যেই আৰম্ভ হৈছে। বিদ্যালয়ৰ মুৰব্বীসকলে নিজৰ বাজেট সম্পৰ্কীয় দায়িত্ব পাইছে, নিজৰ বিদ্যালয়ৰ বাবে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো ক্ষমতা পাইছে, আনকি পাঠ্যক্ৰমৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱাৰ যোগ্যতা পাইছে। এই ৰূপান্তৰে যথেষ্ট দায়িত্ব বঢ়াইছে যদিও স্বাধীনতাও দিছে আৰু ভৱিষ্যতে আশা কৰিছে যে মুৰব্বীসকলে জিলা শিক্ষা বিষয়া বা আন কোনো শৈক্ষিক কৰ্তৃপক্ষৰ বাবে অপেক্ষা নকৰি বিদ্যালয়ৰ উন্নতিকল্পে কাম কৰিব লাগিব। ভাৰতবৰ্ষত নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপ (এন চি এছ এল) আৰু নেচনেল স্কুল অৱ প্লেনিং এণ্ড এড্‌মিনিষ্ট্ৰেচনে এই পৰিৱৰ্তনত সমৰ্থন কৰিছে।

TESS-India ই মুক্ত শৈক্ষিক সমলৰ এটা বেংক যোগান ধৰে, য'ত বিদ্যালয়ৰ মুৰব্বীৰ বাবে বিশটা পঠন গোট আছে। সেইবোৰ এনেদৰে সজোৱা হৈছে, যিবোৰে বিদ্যালয়ৰ মুৰব্বীৰ বাবে বিভিন্ন দিশৰ শিকন ক্ৰিয়া-কলাপৰ যোগান ধৰিছে। তাৰে কিছুমানে বহুলভাৱে শিক্ষণ আৰু শিকন উন্নত কৰা আৰু শিক্ষকে শ্ৰেণীকোঠাত কৰা অনুশীলন উন্নত কৰাত গুৰুত্ব আৰোপ কৰে। আন কিছুমানে বিদ্যালয়ৰ ব্যৱস্থা প্ৰণালী আৰু কাৰ্যপ্ৰণালীত গুৰুত্ব দিছে। সেইবোৰ হ'ল— বিদ্যালয় গৃহৰ বাবে ভৱিষ্যত দৃষ্টি, বিদ্যালয় পুনৰীক্ষণ কৰাৰ নিৰ্দেশনা, বিকাশমুখী পৰিকল্পনা গ্ৰহণ আৰু সেই অঞ্চলৰ, য'ত স্কুলখন অৱস্থিত তাৰ বাইজৰ সহযোগত কাম কৰা। আপুনি আপোনাৰ বৃত্তি বিষয়ক শিকন প্ৰয়োজনীয়তা অনুসৰি মুক্ত শৈক্ষিক সমলৰ পৰা উপযুক্ত পঠন গোট বাছি ল'ব পাৰে। এই গোটবোৰ এন চি এছ এলৰ দ্বাৰা শ্ৰেষ্ঠতা অনুযায়ী চিনাক্ত কৰা মতে প্ৰস্তুত কৰা হৈছে; এইবোৰ কিন্তু পাঠ্যক্ৰম নহয়। কেৱল আপোনালোকক এই গোটবোৰে নিজৰ নিজৰ পথৰ সন্ধান পোৱাত উৎসাহিত কৰিব।

প্ৰতিটো গোটতেই ক্ৰিয়া-কলাপ আৰু ঘটনা অধ্যয়ন আছে। ক্ৰিযা-কলাপসমূহ বিদ্যালয়ত কৰিবলৈ দিয়া হৈছে। তাৰে কিছুমান সহকৰ্মীৰ লগত কৰিবলৈ আৰু কিছুমান আপোনাৰ নিজৰ বাবে। আপুনি ওপৰিঞ্চিকৈ কোনো কামৰ আৰ্হি প্ৰস্তুত কৰাৰ সলনি এই গোটবোৰে আপোনাক আপুনি যিকোনো প্ৰকাৰে কৰি থকা কামৰ বাবে ভাবিবলৈ, চিন্তা কৰিবলৈ আৰু বুজিবলৈ সহায় কৰিব। প্ৰতিটো গোট ইটোৰ পাছত সিটো বুজি পোৱাকৈ শৃংখলাবদ্ধভাৱে সজোৱা হৈছে; কিন্তু আপুনি আপোনাৰ পছন্দমতে গোটটোৰ পৰা কোনো এটা ক্ৰিয়া-কলাপ বাছি ল'ব পাৰিব। মুক্ত শৈক্ষিক সমল গোটে আপোনাৰ ভূমিকাই দিয়া জ্ঞান আৰু অভিজ্ঞতাক শ্ৰদ্ধা কৰে আৰু সেইবোৰৰ লগত একগোট কৰি কাম কৰিবলৈ উৎসাহিত কৰে।

এই আৰম্ভণি গোটটো আপুনি আপোনাৰ বৃত্তিগত বিকাশৰ কথা ভাবি আৰম্ভ কৰক। আপুনি আপোনাৰ কেনেধৰণৰ জ্ঞান, কৌশল আছে সেইবোৰ বিবেচনা কৰিব আৰু কেনেকৈ এজন বিদ্যালয়ৰ মুৰব্বী হিচাপে ইয়াক উন্নত পৰ্যায়লৈ নিবলৈ কেনেকৈ অনুশীলন কৰিব।

TESS-Indiaই শিক্ষকসকলৰ বাবেও মুক্ত শৈক্ষিক সমল যোগান ধৰে। সকলো মুক্ত শৈক্ষিক সমলে এটা সামাজিক দৃষ্টিভংগী ৰাখিছে। য'ত শিক্ষক-সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ অনুশীলনৰ দ্বাৰা আপোনাৰ শিকন সম্ভৱ হয়। সেইবোৰ পুংখানুপুংখভাৱে অনুশীলন কৰিব পৰা শৈক্ষিক সমল নহ'লেও সেইবোৰে আপোনাক আৰু আপোনাৰ শিক্ষকসকলক চিন্তাশীল, যুক্তিপূৰ্ণ ব্যক্তিত্বৰ পৰিচয় আৰু ভূমিকা বিকাশত উৎসাহিত কৰে।

আপোনাৰ শ্ৰেণীকোঠা বা বিদ্যালয়তেই হওক নতুবা নিজ নিজ কৰ্মক্ষেত্ৰৰ ভিতৰত উদ্ভৱ হোৱা সমস্যাসমূহৰ সম্ভাব্য সমাধানৰ ক্ষেত্ৰ শিকন আৰু অনুসন্ধান সম্পৰ্কীয় লক্ষ্যসমূহ মুকলি হ'ব লাগে। (Lake and Wenger, 1991, Bruner, 1996, Wenger, 1998)

**চিন্তনীয়** (Pause for though)

আপুনি এগৰাকী জ্যেষ্ঠ শিক্ষক বা বিদ্যালয়ৰ মুৰব্বী হিচাপে আৰম্ভ কৰা কৰ্মজীৱনৰ আৰম্ভণিৰ কথা ভাবক।

- আপুনি বিদ্যালয়ৰ মুৰব্বী হোৱাৰ পৰা কি কি শিকিছিল?
- আপুনি কেনেকৈ শিকে?
- বৃত্তিমূলক শিকনৰ বাবে আপুনি কি কি সুযোগ পাইছে?

## বিদ্যালয়ৰ মূৰব্বী হিচাপে নিজৰ শিকনৰ কথা ভাবক (Thinking about your own learning as a school leader)


নতুন সুযোগসমূহ গ্ৰহণ কৰিবৰ বাবে বিদ্যালয়ৰ মুৰব্বীসকলৰো কিছু কৌশল (দক্ষতা) বিকাশৰ প্ৰয়োজন। সম্ভৱতঃ আপুনি এজন বিদ্যালয়ৰ মুৰব্বী হৈছে কাৰণ আপুনি এজন ভাল আৰু অৰ্হতাসম্পন্ন শিক্ষক। যি কি নহওক এজন মুৰব্বী হিচাপে আপোনাৰ ভূমিকা এজন শিক্ষকৰ ভূমিকাতকৈ বহুত পৃথক। আপোনাৰ ভূমিকা হ'ল দৈনন্দিন স্কুলখন চলাই নিয়া আৰু অতিৰিক্ত সময়ত নিশ্চিত কৰা যে বিদ্যালয়খনে সেই সমাজৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষা দিছে। এই গোটটোত আপোনাক কিছুমান কৌশল আৰু অৰ্হতা লগত পৰিচয় কৰাৰ যিবোৰ ফলপ্ৰসূ মুৰব্বী হোৱাৰ বাবে আৰু লাগতিয়াল শিক্ষকসকলক অধিক ফলদায়ক হোৱা সহায় কৰাৰ বাবে প্ৰয়োজন।

**চিন্তন** (Pause for though)

আপুনি বিদ্যালয়ত পঢ়ি থকা বা শিক্ষক হিচাপে কাম আৰম্ভ কৰা দিনবোৰলৈ মনত পেলাওক। এতিয়া ১০ বছৰৰ আগলৈ ভাবক। আপুনি আপোনাৰ কৰ্মজীৱন আৰম্ভ কৰাৰ পৰা এই ১০ বছৰত হোৱা অভূতপূৰ্ব পাৰ্থক্য কি?

## ত্রি য়া-কলাপ ১ ঃ এজন মুৰব্বী হিচাপে আপোনাৰ পেছাগত দিশৰ বিকাশ

## (Activity 1: Your professional development as a leader)



**চিত্ৰ-১ ঃ মুৰব্বী হিচাপে আপোনাৰ বৃত্তিগত দিশৰ বিকাশ বিবেচনা কৰি**

1. আপোনাৰ শিকন দিনলিপিখন ব্যৱহাৰ কৰি তাত পাঁচটা শব্দ লিখক, যিয়ে আপোনাক মুৰব্বী হিচাপে বৰ্ণনা কৰে।
2. শিক্ষকসকলে আপোনাক তেওঁলোকৰ নেতা হিচাপে দিয়া মতামত সম্বন্ধে আপুনি কি ভাবে? তেওঁলোকে আপোনাক বিচাৰেনে? তেওঁলোকে পদবীটোক বাদ কৰি আপোনাৰ জ্ঞান আৰু দক্ষতাক সন্মান কৰেনে? আপোনাৰ স্থান সম্পৰ্কে কিয় এইটোৱেই আচল কথা বুলি ভাবে? আপুনি কেনেকৈ আপোনাৰ শিক্ষকসকলক দেখুৱাব যে আপুনি বৃত্তিধাৰী হিচাপে বিকাশ লাভ কৰিছে।

উদাহৰণস্বৰূপে ঃ তেওঁলোকে আপোনাক নতুন ভাবধাৰাৰে গঢ় দিবলৈ চেষ্টা কৰিব ইচ্ছা কৰেনে? তাৰ প্ৰভাৱ পেলেৱা ব্যক্তি হিচাপে চাবলৈ চেষ্টা কৰে নেকি?

3. ১ আৰু ২ নং প্ৰ ্নৰ উত্তৰসমূহ বিবেচনা কৰি চাই আপুনি নেতা হিচাপে আপোনাৰ বৃত্তিমূলক বিকাশত কি বাধা সৃষ্টি হোৱা দেখিছে?

### আলোচনা (Discussion)

এই প্ৰসংগত আপোনাৰ সঁহাৰিসমূহ ব্যক্তি গত। যিকি নহওক আপুনি সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ সঠিক উত্তৰ দিবলৈ তিনিজন ভিন্ন প্ৰকাৰৰ মুৰব্বীৰ বিচাৰ-বিবেচনাই আপোনাক সহায় কৰিব পাৰে ঃ

- প্ৰথম প্ৰকাৰৰ মুৰব্বীজন এনে এজন ব্যক্তি, যিজনে এখন বিদ্যালয়ক বহু বছৰ ধৰি নেতৃত্ব দিয়াৰ অভিজ্ঞতা আছে। যিজনে কোনো কাম কৰাত আত্মবি ্বাসী কিন্তু কৰ্মচাৰীসকলৰ আন সদস্যসকলক দেখুৱাবলৈ অসুবিধা পায়, যিহেতু তেওঁলোকে এতিয়াও শিকিয়েই আছে আৰু অনুশীলনবোৰ সলনি কৰি আছে। এইটো এইবাবেই হৈছে যে তেওঁলোকে নিঃসন্দেহে আৰু এজন তত্ত্বাৱধায়ক হিচাপে ভুমুকি মাৰিব বিচাৰে আৰু সেইবাবেই বৃত্তিমূলক বিকাশৰ দিশটো ব্যক্তি গত আৰু গোপনীয় বুলি ধৰে।

- দ্বিতীয় প্ৰকাৰৰ মুৰব্বীজন এনে এজন ব্যক্তি, যিজন বয়সত কনিষ্ঠ আৰু ব্যক্তিগত বিকাশৰ ক্ষেত্ৰখনত তেওঁলোকৰ কৰ্তৃত্ব হেৰুওৱাৰ শংকাত থাকে। তেওঁলোকে জানে যে কিছুমান জ্যেষ্ঠ শিক্ষকতকৈ শ্ৰেণীকোঠাত তেওঁলোক কম পাৰদৰ্শী, কিন্তু তেওঁলোকৰ দিবলৈ যথেষ্ট আছে। আদৰ্শ নেতৃত্বৰ দ্বাৰা যিয়ে সাঙুৰি লৈছে উৎসাহ, দূৰদৃষ্টি আৰু শেহতীয়া ভাবধাৰাৰ বুজাবুজি, যিটোৱে আন শিক্ষকৰ পাৰদৰ্শিতাক সন্মান কৰে।
- শেষত, মুৰব্বীৰ এনে এটা দল হ'ব পাৰে, যিসকলে নিজৰ বিকাশৰ অনুশীলন কৰাৰ ইচ্ছাটো অৱগত কৰে স্বচ্ছতা প্ৰকাশ কৰে। কিন্তু কেতিয়াও এনে বিকাশৰ কাৰ্যৰ বাবে সময় দিব নোৱাৰে। এইসকল এনে মুৰব্বী, যিয়ে অৱচেতনভাৱে বৃত্তিগত বিকাশৰ এটা আদৰ্শ মনোভাব গঠন কৰে, যিয়ে হয়তো বিদ্যালয়ৰ পৰিৱৰ্তন অনাত পৰোক্ষ যত্নৰ কাম কৰে।

এজন দক্ষ মুৰব্বীৰ গুণাৱলীসমূহ ভালদৰে নথিভূক্ত কৰা হৈছে। তালিকা ১ ত কিছুমান পৰামৰ্শ দিয়া হৈছে কেনেকৈ এইবোৰ ভাতীয় প্ৰসংগত প্ৰযোজ্য হয়। আপুনি ক্ৰি য়া-কলাপ ৩ ত থকা বি ষণটো এবাৰ চাই লওক।

***তালিকা ১ ঃ এজন ভাল মুৰব্বীৰ গুণাৱলী*** *(Adapted from Gardner 1999)*

| ভাল মুৰব্বীৰ গুণাৱলী | আপোনাৰ প্ৰসংগত এইবোৰে কি বুজাব পাৰে |
|---|---|
| কৰ্তৃপক্ষৰ মুখামুখি হ'বলৈ প্ৰস্তুত হোৱা | আপুনি জিলা শিক্ষা বিষয়া আৰু আন আন সংগঠন যেনে —ক্লাষ্টাৰ তথা গোট সমল কেন্দ্ৰ, মণ্ডল সমল কেন্দ্ৰ, স্থানীয় পঞ্চায়ত আৰু বিদ্যালয় পৰিচালনা সমিতি আদিৰ লগত কাম কৰিব লাগিব। এইবোৰে যথেষ্ট মূল্যৱান সমল যোগান ধৰে আৰু দেশৰ বহু অঞ্চলত এতিয়াও এইবোৰে শিক্ষক নিযুক্তি আৰু বদলিকৰণৰ দায়িত্ব লয়। এইটো গুৰুত্বপূৰ্ণ যে আপুনি সেই অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিসকলৰ লগত সাৱধানে আৰু সংবেদনশীলতাৰে কাৰ্যনিৰ্বাহ কৰিব। মুখামুখিকৈ সোধা-পোছা কৰা এটা উত্তম উপায় নহ'ব পাৰে, কিন্তু ভয় নকৰাকৈ পূৰ্বতে হোৱা কামৰ কিছু পৃথকৈ কৰি দেখুৱাবলৈ আৰম্ভণি কৰক, যিটো কামে আপোনাক, বিদ্যালয়খনক সহায় কৰিব বুলি ভাবে। |
| আহিবলগীয়া বিপদৰ বাবে প্ৰস্তুত হোৱা | সাংস্কৃতিকভাৱে এইটো অসুবিধাজনক বা টান, কাৰণ ভাৰতৰ ধৰ্মাধিকাৰ সম্বন্ধীয় গাঁথনিয়ে ইয়াকে বুজায় যে মানুহে কোনো কামৰ আৰম্ভণি কৰাৰ আগতে কোনো জ্যেষ্ঠ ব্যক্তিৰ পৰা অনুমোদন লোৱাৰ প্ৰয়োজন। সি যিয়েই নহওঁক যিমানদূৰ সম্ভৱ আপুনি জিলাৰ অগ্ৰাধিকাৰ আৰু বিদ্যালয়ৰ বিকাশ পৰিকল্পনা সম্বন্ধে জ্ঞাত, তথাপি আৰু আপুনি এটা যুক্তিপূৰ্ণ চিন্তাৰে কিয় এটা বিশেষ পৰিৰ্তন আনিছে, আপুনি আপোনাৰ বিদ্যালয়ৰ হৰণ-ভগনৰ দায়িত্ব লোৱা উচিত যাতে আপুনি বিচৰামতে বিদ্যালয়খনে উন্নতি লাভ কৰে। |
| বিফলতাৰ সমুখত প্ৰত্যাবৰ্ত্তনৰ প্ৰয়াস। | বহু সময় ভুল কৰিলে নতুবা নিয়াৰিকৈ কাম এটা কৰিব নোৱাৰিলে, সেই কথাটো স্বীকাৰ কৰি ল'বলৈ জটিল হয়। পৰিৱৰ্ত্তনৰ লগতে নিজকে খাপ খুওৱাটো সময়ৰ আহ্বান। যদি পৰিকল্পনা কৰা মতে কামবোৰ হৈ নুঠে তেন্তে এই কথাটো আপুনি সহজভাৱে ল'ব লাগিব। ইয়াৰ কাৰণ বিবেচনা কৰি সেই কাৰণবোৰ চিনাক্ত কৰক। কিন্তু হৈ যোৱা ভুলবোৰ মুকলিভাৱে প্ৰকাশ কৰিবলৈ ভয় নকৰিব। |
| প্ৰবৃতি আৰু সহজাত জ্ঞানৰ ওপৰত আত্মবি শ্বাস | বিভিন্ন বিদ্যালয়ত শিক্ষকতা কৰাৰ অভিজ্ঞতা নিশ্চয় আপোনাৰ আছে। বিদ্যালয়ৰ মুৰব্বী হিচাবে এই অভিজ্ঞতাখিনি আপুনি প্ৰয়োগ ঘটাবৰ পাৰে। স্বতন্ত্ৰ বিদ্যালয়ৰ নতুন প্ৰত্যাসাবোৰৰ অৰ্থ হ'ল আপোনাৰ অধিক সৃজনশীল আৰু নতুন নতুন আঁচনি লোৱাৰ বাবে স্বাধীনতা প্ৰদান কৰা। |

| ভাল মুৰব্বীৰ গুণাৱলী | আপোনাৰ প্ৰসংগত এইবোৰে কি বুজাব পাৰে |
|---|---|
| এখন অধিক ডাঙৰ বিদ্যালয়ৰ ছবি মনত গঢ় দিয়া | এই গুণটো সকলো বিদ্যালয় মুৰব্বীৰ ক্ষেত্ৰতে প্ৰযোজ্য। আপোনাৰ ভূমিকা হ'ব আপোনাৰ বিদ্যালয় সম্পৰ্কে এটা স্পষ্ট দৃষ্টিভংগীৰ লোৱা আৰু আনৰ লগত বিনিময় কৰা। সকলোবোৰ কাম আৰু অগ্ৰাধিকাৰ এই দৃষ্টিভংগীৰ লগত সম্পৰ্কীত হ'ব লাগিব। TESS-India ৰ বিদ্যালয়ৰ নেতৃত্ব সম্পৰ্কীয় OER বোৰে এই ক্ষেত্ৰত আপোনাক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিব। এইবোৰে বিদ্যালয় বিকাশ আঁচনি (SDP) আৰু SMC গঠনৰ ক্ষেত্ৰটো আপোনাৰ সহায় কৰিব। |
| নৈতিক প্ৰতিশ্ৰুতি | ৰাষ্ট্ৰীয় পাঠ্যত্ৰ ম ৰূপৰেখাত (NCF-2005), NCFTE-2009 আৰু RTE-2009 ত প্ৰমুল্য আৰু বি ধা, সম্পৰ্কত কিছুমান প্ৰচলিত ৰীতি-নিতীক প্ৰত্যাহ্বান জনোৱা হৈছে। চৰকাৰে এই সম্পৰ্কত নিৰ্দ্ধাৰণ কৰা প্ৰত্যশাবোৰ আপুনি উপলব্ধি কৰিব লাগিব। লগতে আপোনাৰ বিদ্যালয়ত আৰু চাৰিওফালৰ জনসাধাৰণৰ মাজত ইয়াৰ বিকাশ ঘটাব লাগিব। |
| সময় সম্পৰ্কে সচেতনতা আৰু অভিজ্ঞতাৰ পৰা শিকি কামত আগবঢ়া | আপুনি যেতিয়া আপোনাৰ বিদ্যালয়খন মূল্যায়ন কৰিবলৈ আৰম্ভ কৰিব, তেতিয়া বিদ্যালয়খনত পৰিৱৰ্ত্তন সাধন কৰিব লগা বহুতো দিশ আপোনাৰ চকুত পৰিব। এনে দিশবোৰ অতি ক্ষীপ্ৰতাৰে আৰু অধিক পৰিমাণে পৰিৱৰ্ত্তন সাধনৰ বাবে প্ৰচেষ্টা লোৱাটো উচিত নহ'ব। সেইবোৰৰ মাজৰ পৰা প্ৰাধান্য দি লাহে-ধীৰে সকলো শিক্ষকৰ সহযোগিতাত কামবোৰ আগবঢ়াব লাগিব। |

## ঘটনা অধ্যয়ন ১ ঃ শ্ৰীমতী অপৰাজিতা বৰুৱাই শিকনৰ বুজ লয় (case Study 1: Mrs Aparajeeta enquires about learning)

অপৰাজিতা বৰুৱা এখন গ্ৰাম্য প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী। য'ৰ জিলা শিক্ষা বিষয়াই তেওঁক ছাত্ৰ-ছাত্ৰীৰ পৰা বেছিকৈ আশা কৰিবলৈ মানা কৰিছিল কিয়নো ছাত্ৰ-ছাত্ৰীসকল গাঁৱলীয়া বাবেই তেওঁলোকৰ শিকনত অসুবিধা হয়। যেতিয়া তেওঁ তাত কাম আৰম্ভ কৰিছিল তেতিয়া হাজিৰা বহীত ৬৯ জন ছাত্ৰ-ছাত্ৰীৰ নাম আছিল।

প্ৰথম দিনাখন, মই আৰম্ভণি কৰিবলৈ খুব উৎসাহী হৈ আছিলোঁ, কিন্তু হতাশো হৈছিলো। যেতিয়া মাত্ৰ ৪৫ জন ছাত্ৰ-ছাত্ৰীয়ে খেলপথাৰত শাৰীপাতি থকা দেখিছিলো। মোৰ সহকাৰী শিক্ষকে কৈছিল যে এইটো ভালেই। প্ৰায়েই মাত্ৰ ৩০ জনমানহে থাকে। আজি বোধহয় বিদ্যালয়ৰ নতুন মুৰব্বীক চাবলৈ বুলিয়েই আহিছে। তেওঁ ঠিক কৈছিল। কিয়নো পিছৰদিনা মাত্ৰ ৩২ জন আৰু দুপৰীয়াৰ আহাৰৰ পাছত কেইজনমান আকৌ গুচি গৈছিল।

বিদ্যালয় শেষ হোৱাৰ পাছত মই গাঁও ফুৰিবলৈ গৈছিলো আৰু দেখি আচৰিত হৈছিলো কিমান ল'ৰা-ছোৱালীয়ে বাহিৰত খেলি আছিল, বজাৰৰ দোকানত কাম কৰি আছে আৰু পথাৰতো কাম কৰি আছিল। মই এজন ৯ বছৰীয়া ল'ৰা দেখিছিলোঁ যিজনে চাইকেলৰ পাংচাৰ হোৱা টায়াৰ মেৰামতি কৰি আছিল। মই তেওঁক কিয় বিদ্যালয়লৈ অহা নাছিল বুলি সুধিছিলো। তেওঁ খুব গৌৰৱেৰে মোক কৈছিল যে তেওঁ টায়াৰ মেৰামতি কৰি দিনে ১০০ টকাকৈ পায়, সেইবাবে তেওঁ বিদ্যালয়লৈ যোৱাৰ প্ৰয়োজন নাই। তেওঁলোকে যিবোৰ কথা তেওঁক শিকায় সেইবোৰ এই কামৰ তুলনা গুৰুত্বপূৰ্ণ নহয়। মই কেইজনমান অভিভাৱকৰ লগত কথা পাতিলো আৰু একেধৰণৰ মনোভাব দেখিবলৈ পালো। ল'ৰা-ছোৱালীয়ে বিদ্যালয়খন তেওঁলোকৰ বাবে আগ্ৰহহীন আৰু সংগতিহীন বুলি ভাবিছিল আৰু তেওঁলোকৰ অভিভাৱকে তেওঁলোকে কাম কৰাটো বিচাৰিছিল। মই সিদ্ধান্ত লৈছিলো যে মই এই বিষয়ে কিবা এটা কৰা প্ৰয়োজন, সেইবাবে মই দৈনিক দিনপঞ্জীৰ সময় সলনি কৰিছিলো। মই দুটা পিৰিয়ড ত্ৰি য়া-কলাপৰ বাবে ধাৰ্য কৰিছিলো, এটা পুৱাৰ প্ৰাতঃসভাৰ পাছত আৰু আনটো মধ্যাহ্ন ভোজনৰ পাছত। সেই পিৰিয়ডৰ পাঠবোৰত আমি ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক কৌশল, কলা আৰু হস্তশিল্পৰ বিষয়ে শিকাইছিলো। আমি অতি শীঘ্ৰে সেইকেইটা শ্ৰেণীৰ বাবে বস্তু গোটাই তেওঁলোকে দেখা পোৱাকৈ মুকলি কৰি দিছিলো। কথাবোৰ ইফালে-সিফালে বাগৰিছিল আৰু বহু বেছি ল'ৰা-ছোৱালী বিদ্যালয়লৈ আহিবলৈ আৰম্ভ কৰিছিল। মই তেওঁলোকৰ অপৰিষ্কাৰ পোছাক-পৰিচ্ছদ আৰু অপৰিপাটি অৱস্থা দেখি হতাশ হৈছিলো। মই গাঁৱলৈ দ্বিতীয়বাৰৰ বাবে গৈছিলো আৰু মাতৃগোটক লগ ধৰি ল'ৰা-ছোৱালীবোৰৰ এনে অপৰিষ্কাৰ আৰু অপৰিপাটি দেখি বুজাই কৈছিলো যে আমি আমাৰ বিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰো প্ৰাৰ্থনা আৰু প্ৰাতঃসভাৰে। ভগৱানো হতাশ হয় আৰু অনাদৰৰ দৃষ্টিৰে চায়। মই আকৌ এটা আনন্দৰ চিন হিচাপে প্ৰতিদিনে পৰিষ্কাৰ আৰু পৰিপাটিকৈ অহা ছাত্ৰ-ছাত্ৰীক 'দিনটোৰ ছোৱালী' আৰু 'দিনটোৰ ল'ৰা' বুলি উপাধি দিবলৈ ধৰিলো।

ত্ৰি য়া-কলাপৰ পিৰিয়ডত মই ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব সেইটো নিজে নিজে বান্ধি ল'বলৈ দিছিলো। কিছুমানে সিমানটো পঢ়া আৰু লিখা কামেই বাছনি কৰি লৈছিল আৰু মই তেওঁলোকক যিকোনো বস্তুতেই লিখিবলৈ উৎসাহিত কৰিছিলো—কলপাতত লিখাটোৱে সকলোৰে বাবে আদৰণীয় আছিল। মই তেওঁলোকক শব্দৰ খেল খেলিবলৈ উৎসাহিত কৰিছিলো, লগতে বোকাত সৰু লাঠীৰে লিখি প্ৰত্যেকৰে বাবে অংক পাতিবলৈ কৈছিলো। মই তেওঁলোকক কলপাতত গৃহ কাম নাইবা তেওঁলোকে বিচাৰি পোৱা আন সামগ্ৰীত কৰিবলৈ কৈছিলো। মই সেইখন বিদ্যালয়ত চাৰি বছৰ আছিলো। বৰ্তমানে বহুত সলনি হৈছে। তাত এতিয়া ২৫৭ জনৰ নাম বহীত আছে আৰু প্ৰতিদিনাৰ উপস্থিতি ২৪০ জন। তেওঁলোকৰ সাজ-পোছাকত গৌৰৱৰ ভাব ফুটি উঠে আৰু শিকাৰ প্ৰস্তুতিৰে বিদ্যালয়ত উপস্থিত হয়। মই দেখুৱাই দিলো যে সকলো ছাত্ৰ-ছাত্ৰীৰে শিকাৰ সামৰ্থ্য আছে মাত্ৰ এবাৰ যদি তেওঁলোকক আগ্ৰহী কৰি তুলিবলৈ যথাসাধ্য ব্যৱস্থা লোৱা হয়।

এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ সৈতে এটা সম্বন্ধ কৰা গুৰুত্বপূৰ্ণ কথা, কিন্তু মই ভাবো যে পাঠ্যত্ৰ ম সাল-সলনি কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক আকৰ্ষণীয় কৰি তোলা কাৰ্যইহে এইক্ষেত্ৰত এটা বৃহৎ পাৰ্থক্য আনে, আনকি যদিও এই কাৰ্যই পঠন আৰু লিখনত কম সময় দিয়া বুজায়। এনে কাৰ্যত তেওঁলোকক বিদ্যালয়লৈ অহাৰ বাবে আৰু গোটেই দিনটো বিদ্যালয়ত থকাৰ বাবে উদ্‌গনি দিয়ে।

> তেওঁলোকে অগ্ৰগতি লাভ কৰিবলৈ ধৰাৰ লগে লগে পঠন, লিখন আৰু গণনাও যে মনোগ্ৰাহী হ'ব পাৰে আৰু জীৱনৰ বাবে সংগতিপূৰ্ণ সেইটো বুজি পাবলৈ আৰম্ভ কৰে।

## ত্রি য়া-কলাপ ২ ঃ নেতৃত্বৰ গুণাৱলী চিনাক্ত (Activity 2: Identifying leadership qualities)


তালিকা ১ পুনৰ পঢ়ক, য'ত এজন ভাল শিক্ষকৰ গুণাৱলী নথিভূক্ত কৰা আছে।

আপোনাৰ সহকৰ্মী বা বন্ধু এজনৰ সৈতে ঘটনা অধ্যয়ন ১ টো বিে ষণ কৰক আৰু তাত শ্ৰীমতী অপৰাজিতাই মুকলিকৈ কৰা কাম-কাজৰ পৰা গুণাৱলীসমূহৰ উদাহৰণ চিনাক্ত কৰক। আপোনাৰ শিকন দিনলিপিত এইবোৰ লিখক আৰু কলম বা পেঞ্চিলেৰে মূল কথাকেইটাৰ তলত আঁচ টানক।

### আলোচনা (Discussion)

শ্ৰীমতী অপৰাজিতাই তেওঁৰ প্ৰবৃত্তিত ধাউতি থকাৰ বাবেই আৰু গাঁৱৰ ছবিখনৰ সহায়ত ছাত্ৰ-ছাত্ৰী কিয় বিদ্যালয়লৈ অহা নাছিল সেইটো নিৰূপণ কৰিছিল। তেওঁ সুস্থিৰভাৱে ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত নথকা কথাটো মানি লোৱা নাছিলো, কিন্তু বিভিন্ন উপায়েৰে ইয়াৰ কাৰণটো বা সমস্যাটো বিচাৰি উলিয়াইছিল আৰু ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতি, অভিভাৱকৰ লগত কাম কৰি, শ্ৰেণীকোঠা নতুনকৈ সংগঠন কৰি ইয়াৰ সমাধান পাইছিল। তেওঁ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা যথেষ্ট সময়লৈ বঢ়াইছিল। জধে-মধে অথবা সোনকালে নহয়। তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এটা শক্তিশালী দায়িত্ব আছে, কিন্তু তেওঁ এইটোও বুজি পায় যে অৰ্থনৈতিক কাৰণসমূহে তেওঁলোকৰ উপস্থিতিত বাধা দিয়ে।

ত্রি য়া-কলাপ ২ চোৱাৰ লগে লগে আপুনি বিদ্যালয় মুৰব্বীৰ ভিডিঅ' চাবলৈ ইচ্ছা কৰিব। কিয়নো তেওঁলোকে কোৱা ধৰণে গুণসমূহ কিমানদূৰ কামৰ মাজেৰে প্ৰদৰ্শন কৰিছে সেয়া বিে ষণ কৰি চাব বিচাৰিব।



ভিডিঅ' ঃ বিদ্যালয় নেতৃত্বৰ

## প্ৰয়োজনীয়তাৰ বিে ষণৰ ব্যৱস্থা কৰা (Conducting a needs analysis)

তালিকা ১ এ পৰামৰ্শ আগবঢ়ায় যে বিদ্যালয়ৰ এজন মুৰব্বীৰ কেৱল ব্যক্তিগত গুণাৱলীসমূহ ফলপ্ৰসূ হ'লেই নহ'ব, লগতে বিভিন্ন দিশৰ এলানি অৰ্হতাৰ বিকাশৰো প্ৰয়োজন (সমল ২ চাওক)। এইটো অসম্ভৱ যদিও আপুনি সকলো ক্ষেত্ৰত সমানে নিপুণ আৰু মাৰ্জিত হ'ব লাগিব। এইটো মনত ৰখাটো সমানে গুৰুত্বপূৰ্ণ যে আপোনাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ দৰে আপোনাৰ জ্ঞান আৰু দক্ষতাৰ সময়ে সময়ে প্ৰকাশ আৰু বিকাশ ঘটিছে কিয়নো নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আৰু অধিক বিচক্ষণতা দেখুৱাবৰ বাবে আপুনি সক্ষম হৈছে।

## ত্ৰি য়া-কলাপ ৩ ঃ প্ৰয়োজনসমূহৰ বিে ষণৰ পৰিচালনা (Activity 3: Conducting a needs analysis)

বিদ্যালয়ৰ নেতাৰ ভূমিকাৰ বাবে থকা দিশসমূহ চিনাক্ত কৰিবৰ বাবে সমল ২ ৰ তালিকাখন সম্পূৰ্ণ কৰক। আপুনি যদি ভাল কৰা বুলি ভাবিছে আৰু যিসকলে তেওঁলোকৰ ভূমিকা উন্নত কৰাৰ প্ৰয়োজন বুলি ভাবে তেওঁলোকে এইক্ষেত্ৰত যথেষ্ট শিকিব লাগিব।

প্ৰথমতে—নিজৰ মানদণ্ড ধাৰ্য কৰক, যেনে—অতিশয় উপযুক্ত (highly competent), যথোচিত উপযুক্ত (adequately competent) বা কোনোমতে উপযুক্ত (barely competent)। নিঃসন্দেহে আপোনাৰ জ্ঞানৰ ভঁৰাল ইতিমধ্যে চহকী, কিন্তু আপুনি আপোনাৰ দক্ষতা, সামৰ্থ্যতা সদায় এক জীৱনজোৰা শিকন উদ্যমেৰে আগবঢ়াই নিব লাগিব আৰু বৃদ্ধি কৰিব লাগিব। এই তালিকাখন পূৰ কৰা কাৰ্যই আপোনাক আপোনাৰ প্ৰয়োজন বিে ষণ আৰু সেইবোৰৰ বিকাশ ত্ৰ মানুসাৰে কৰাত আৰু এজন সুদক্ষ নেতা হোৱাৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে সহায় কৰিব।

এই প্ৰত্ৰি য়াটো সম্পৰ্কে আপুনি আপোনাৰ সহকৰ্মীৰ লগত এনেধৰণে আলোচনা কৰিবলৈ বিচাৰিব পাৰে যে আপুনি কোনবোৰ প্ৰয়োজনক প্ৰাধান্য দিছে লগতে তেওঁলোকৰ প্ৰয়োজনসমূহো আলোচনা কৰিব। বিদ্যালয়ৰ নেতা এজন সম্পূৰ্ণ অকলশৰীয়া হ'ব পাৰে, সেইবাবে দুখন বিদ্যালয়ৰ মাজত এক সমনীয়াৰ সদ উপদেশ দিয়া সম্বন্ধই (peer-mentoring relationship) উভয়ৰে বাবে সুবিধাজনক হয়। ঘটনা অধ্যয়ন ২ পঢ়ক আৰু তাৰ পৰা বাছি লওঁক যে কেনেকৈ দুখন বিদ্যালয়ৰ নেতাই ইজনে-সিজনক তেওঁলোকৰ প্ৰয়োজন অনুসাৰে সহায় আগবঢ়াইছিল।

## ঘটনা অধ্যয়ন ২ ঃ ৰঞ্জিত কলিতা আৰু গীতা দত্তই তেওঁলোকৰ প্ৰয়োজনসমূহ আলোচনা কৰে (Case Study 2: Mr Kapur and Ms Agarwal discuss their needs)

ৰঞ্জিত কলিতা আৰু গীতা দত্তই অলপতে এটা প্ৰশিক্ষণত দুয়ো দুয়োকে লগ পাইছিল। তেওঁলোক দুয়োৰে চিন্তাধাৰা একে হোৱা দেখা পাইছিল। তেওঁলোকে ইজনে-সিজনক সহযোগ কৰাৰ মানসেৰে প্ৰতিমাহতে লগ পোৱাৰ ব্যৱস্থা কৰিছিল। ত্ৰি য়া-কলাপত একেলগে কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰতিজনে বিভিন্ন উদাহৰণ উলিয়াই প্ৰ ় আদিৰ সহায়ত ইজনে-সিজনক সহায় কৰে। তলত দিয়া ‘আদৰ্শমূলক আচৰণৰ’ গুণাৱলীসমূহৰ কথোপকথন পঢ়ক।

এতেকে মোৰ বন্ধু— কওকচোন, 'demostrating personal integrity' ব্যক্তি গত প্ৰদৰ্শন কৰিবলৈ আপুনি কেনে পদক্ষেপ লয়?

মই ভাবো যে ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীসকলক গুৰুত্ব সহকাৰে যি সেৱা কৰিছো তাৰ বাবে সম্ভৱ হৈছে—মই সদায় সকলোকে সন্মান সহকাৰে গুৰুত্ব আৰু উচ্চ আসন দিওঁ।

মোক এনে পদক্ষেপৰ এটা উদাহৰণ দি পাৰিবনে যেতিয়া এনে ঘটনা সংঘটিত হৈছিল?

মোৰ বন্ধু, এতিয়াহে তুমি মোক ঠিক কথাটো ক’লা। তুমি কিন্তু ছিকেই কৈছ। কিন্তু সেইবোৰ কামত দেখুৱাব নোৱাৰো। মোক ক্ষন্তেক াবিবলৈ দিয়া। কাৰণ মই বিদ্যালয়ত এইটো স্পষ্ট কৰি দিও যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে সমান। কিন্তু মই এটা পৰিয়ালৰ পৰা অভিযোগ পাইছিলো। তেওঁলোকৰ হয় যে ল’ৰা দুজনক শ্ৰেণীত ভালদৰে গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল। মই গোটেই ঘটনাটো অনুসন্ধান কৰিছিলো আৰু মোৰ সহকৰ্মীসকল আৰু ছাত্ৰ দুজনৰ লগত কথা পাতিছিলো। মই এই ঘটনাটো নিৰীক্ষণ কৰিবলৈ কৈছিলো আৰু এমাহৰ ভিতৰতে পৰিয়ালক লগ ধৰি এই সমস্যাটো সমাধান কৰিবলৈ কৈছিলো।

হয়, আপুনি কোৱাৰ দৰেই ব্যক্তি গত অখণ্ডতা প্ৰদৰ্শন কৰি আপোনাৰ প্ৰমূল্য স্পষ্ট কৰিছে। এই ‘উদ্দীপনা প্ৰকাশ’ ('Showing enthunsiasm')মানে কি? এইটোও আপুনি কৰা এটা গুৰুত্বপূৰ্ণ কিছুমান সামান্য কামৰ দৰে নেকি?

আপুনিটো জানেই, যদিও মই শিকাৰ বাবে আগ্ৰহী তথাপি মই নিজে নিশ্চিত নহয় যে মই মোৰ উৎসাহ-উদ্দীপনা কিমানলৈ দেখুৱাব পাৰিছোঁ। মই এদিনাখন এটা কথা মন কৰিছিলো। মই শিক্ষকসকলৰ লগত বেছিকৈ দলীয় কাম কৰোৱাৰ কথা পাতিছিলো। তেতিয়া মই তেওঁলোকৰ পৰা খুব ভাল সঁহাৰি পোৱা নাছিলো।

আপুনি TESS-Indiaই প্ৰস্তুত কৰা দলীয় কামৰ ভিডিঅ’ চাইছেনে? সেইবোৰত দেখুওৱা আলোচনাবোৰ বৰ মূল্যবান। সেইবোৰ ব্যৱহাৰ কৰি মানুহক কথা কোৱাৰ সুযোগ দিয়াটো বৰ ভাল।

> সেইটো এটা ভাল উপায়। ময়ো ভাবিছিলো যে শিক্ষকসকলক দলীয় কামৰ ব্যৱহাৰ সম্পৰ্কে বেছিকৈ প্ৰতিপুষ্টি দিম আৰু তেওঁলোকৰ প্ৰচেষ্টাৰ বাবে মোৰ উৎসাহ দেখুৱাম।

> শিক্ষক বিকাশৰ মুক্ত শৈক্ষিক সমলৰ তালিকা চাওঁ আহক। আপুনি আপোনাৰ enthusiasm drive (উৎসাহ যোগোৱা প্ৰচেষ্টা)বিজ্ঞানৰ কোনো এটা পাঠত মই নিজেই ব্যৱহাৰিক কাম আৰু অনুসন্ধান কাৰ্যত এনে দলীয় কাৰ্য কৰোৱাৰ কথা ভাবিছো।

> ইতিমধ্যে মোৰ যথেষ্ট উৎসাহ অনুভৱ হৈছে।

## শিকন পৰিকল্পনা প্ৰস্তুত কৰা Creating a Learning Plan

বৃত্তিমূলক বিকাশ সম্পৰ্কীয় প্ৰয়োজনসমূহ চিনাক্ত কৰি আপুনি এতিয়া সেই প্ৰয়োজনসমূহক উদ্দেশ্য কৰি এটা শিকন পৰিকল্পনা কৰক। সমল- ৩ ত TESS-Indiaৰ বিদ্যালয়ৰ নেতৃত্ব সম্পৰ্কীয় মুক্ত শৈক্ষিক সমলসমূহৰ এখন তালিকা দিয়া আছে।

এজন প্ৰতিভাৱান ব্যক্তি য়ে, (এই গোটৰ পাছত) "শিক্ষণ-শিকন প্ৰণালী" পৰিৱৰ্তন সাধন ঃ প্ৰাথমিক বিদ্যালয়ৰ "শিক্ষণ-শিকন প্ৰণালীৰ নেতৃত্ব" শাৰ্ষক গোটটো আৰম্ভ কৰা ভাল। যিটোৱে TESS-Indiaৰ প্ৰকল্পৰ মূল শিক্ষাদান নীতি আৰু পদ্ধতি আলোকপাত কৰে। লগতে আপোনাক আন আন প্ৰাপ্তি সমলসমূহ সম্বন্ধে সন্ধানৰ সুযোগ দিয়ে। মুক্ত শৈক্ষিক সমলসমূহৰ সকলোবোৰেই মুক্ত—আপুনি সেইবোৰ নকল কৰিব পাৰে বা আপোনাৰ প্ৰসংগত তাক উপযোগী কৰি ল'ব পাৰে।

### ত্ৰি য়া-কলাপ ৪ ঃ TESS-Indiaৰ মুক্ত শৈক্ষিক সমলৰ সহায়ত আপোনাৰ শিকন পৰিকল্পনা (Activity 4: Your Learning Plan through the TESS-India OERs)

TESS-Indiaৰ বিদ্যালয় নেতৃত্বৰ মুক্ত শৈক্ষিক সমল প্ৰয়োগ কৰি এটা শিকন পৰিকল্পনা কৰিবলৈ তলৰ স্তৰসমূহ অনুসৰণ কৰক।

1. সমল- ৩ ত থকা মুক্ত শৈক্ষিক সমলৰ শিৰোনাম লক্ষ্য কৰক আৰু সযত্নে সন্ধান কৰক মুক্ত শৈক্ষিক সমলসমূহে কি কি সাঙুৰি লৈছে। কি উপায়ে বা কি ধৰণে গোটবোৰ কৰা হৈছে, সেইটো লক্ষ্য কৰক। উদাহৰণস্বৰূপে আপোনাৰ শিক্ষকৰ বিকাশ সম্পৰ্কীয় দিশসমূহ তিনিটা গোটত ভাগ কৰা হৈছে।
2. আপুনি পঢ়িব বিচৰা তিনিটা গোট চিনাক্ত কৰক। আপোনাৰ শিকন দিনলিপিত এই গোটকেইটা আপুনি পঢ়িবলৈ বিচৰাধৰণে ত্ৰ ম অনুসৰি লিখি থওক।
3. আপুনি চিনাক্ত কৰা গোটকেইটা আকৌ এবাৰ অধিক সূক্ষ্মভাৱে আৰু বিস্তাৰিতভাৱে চাওক আৰু নিজেই ঠিক কৰক, প্ৰতিটো সমলৰ বাবে আপোনাৰ কিমান সময়ৰ প্ৰয়োজন হ'ব।
4. নিৰ্দ্ধাৰিত সময়ৰ বাবে এটা পৰিকল্পনা কৰক। আপোনাৰ কামৰ গুৰুত্বৰ লগতে আপুনি দায়িত্ব ল'ব লগা যিকোনো বিষয়ৰ সময়সূচী আৰু আন প্ৰকল্পৰ বা কোনো কামৰ বাবে আপোনাক দিয়া দায়িত্বৰ গুৰুত্ব বিবেচনা কৰক। সমল ৪ ব্যৱহাৰ কৰি আপোনাৰ পকিল্পনা নথিভুক্ত কৰক। এইটো স্পষ্টকৈ দেখা ঠাইত প্ৰদৰ্শন কৰক আৰু প্ৰতি সপ্তাহতে বিশেষ পৰ্যায়ৰ বা কালৰ

বুলি নিৰ্দিষ্ট কৰক।

শেষত, কেনেকৈ আপুনি সামগ্ৰীসমূহ সংগ্ৰহ কৰিব সেইটোৰ বাবে সিদ্ধান্ত লওক (Online বা Offline বা ছপা সামগ্ৰীৰ জৰিয়তে) আৰু ভাবক কোনে আপোনাৰ লগত কাম কৰিবলৈ সহায় আগবঢ়াব আৰু আপোনাৰ শিকন সুদৃঢ় কৰিব।

# 5 আপোনাৰ শিকন পৰিকল্পনা কাৰ্যকৰীকৰণ—সমৰ্থবান ব্যত্তি হিচাপে বিদ্যালয়ৰ মুৰব্বী 5 Enacting your Learning Plan-the school leader as enabler

বিদ্যালয়ৰ শিকন আৰু শিক্ষণ ব্যৱস্থাৰ পৰিৱৰ্তন অনাত প্ৰভাৱ পেলোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰকটো হৈছে বিদ্যালয়ৰ মুৰব্বী হিচাপে আপোনাৰ গুণাগুণ আৰু পাৰদৰ্শিতা। আপুনি শিক্ষকসকলক অভিজ্ঞতা সম্পন্ন কৰি তোলা আৰু পৰম্পৰাগত শিকন পদ্ধতিৰ পৰা আঁতৰাই নোৱাৰা পৰ্যন্ত শিক্ষাৰ্থীৰ শিকনত কোনো পৰিৱৰ্তন নাহে।
উদ্ভাৱনীমূলক নতুনত্বৰ শিক্ষা আৰু সমস্যা সমাধানৰ জৰিয়তে আপুনি শিক্ষকসকলক আপোনাৰ আজীৱন শিকাৰু হিচাপে গঢ়িবলৈ সামৰ্থবান কৰক। শিক্ষকসকলে পৰিৱৰ্তনৰ বাবে আপোনাৰ উৎসাহ-উদ্দীপনা বিচাৰে। আপুনি নিম্নলিখিত ধৰণে শিক্ষকসকলক পৰিচালনা কৰি পৰিৱৰ্তনৰ এক সুযোগ দিব পাৰে

- তেওঁলোকক নতুন ধাৰণা আৰু অনুশীলনৰ যত্নপৰ হ'ব দিয়ক।
- তেওঁলোকক তেওঁলোকৰ শিকনৰ ওপৰত প্ৰতিপুষ্টি দিয়ক।
- তেওঁলোকৰ শ্ৰেণীকোঠাত ধনাত্মক দিশটোৰ অংশীদাৰ হওক আৰু বিচাৰ-বিবেচনা আগবঢ়াওক।
- বিষয়বোৰৰ উন্নতিৰ বাবে পৃথকে কি কৰিব লাগে আলোচনা কৰক।

পৰৱৰ্তী ঘটনা অধ্যয়নত শিক্ষকসকলৰ কথা আৰু তেওঁলোকৰ দৃষ্টিভংগীৰ উন্নয়নৰ পুনৰ আলোকপাত কৰা হৈছে—য'ত তেওঁলোকক আপোনাৰ শিক্ষকৰ সৈতে কাম কৰাৰ সক্ষম কৰি তোলা হ'ব আৰু তাৰ পৰাই আপুনি শিকাৰ বিষয়ে নিশ্চিত হওক। অধিকাৰী হিচাপে আপুনি বিদ্যালয়ত সকলোৱে অংশগ্ৰহণ কৰিব পৰাকৈ শিক্ষণৰ এক সৃষ্টিশীল সক্ষম আৰু অংশীদাৰীমূলক পৰিৱেশ গঢ় দিবলৈ চেষ্টা কৰক।

## ঘটনা অধ্যয়ন ৩ ঃ ন-উদ্যমেৰে বিদ্যালয়ক চোৱা (Case Study 3: Seeing the school in a new light)

*ইয়াত উল্লেখ কৰাখিনি হৈছে স্থানীয় জিলা শৈক্ষিক আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুস্থিত এটা প্ৰশিক্ষণ পাঠ্যত্ৰ মত ভাগ ল'বলৈ অহা এগৰাকী বিদ্যালয় মুৰব্বীৰ সৈতে হোৱা সাক্ষাৎকাৰৰ কিয়দাংশ। তেওঁৰ বিদ্যালয় ভালদৰেই চলি আছে আৰু বিদ্যালয়ৰ মুৰব্বী হিচাপে কাৰ্যভাৰ লোৱাৰ পাছৰে পৰাই ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও আচৰিত ধৰণে বৃদ্ধি পায়। সেয়েহে তেওঁ জিলা শিক্ষা বিষয়াৰ সৈতে উপস্থিতিৰ উন্নতি হোৱা সন্দৰ্ভত কথা পাতিব বিচাৰিলে। কিন্তু তেওঁৰ বিদ্যালয়ত উপস্থিতিৰ হাৰ বৃদ্ধি পোৱাৰ দিশটোৰ বাদেও আৰু কিছুমান বেলেগ প্ৰয়োজনীয় কাম কৰিব লগা যে আছে সেই কথাটো উপলব্ধি কৰিলোঁ।*

TESS-Indiaৰ মুক্ত শৈক্ষিক সমলবোৰৰ বিষয়ে সেই প্ৰশিক্ষণ পাঠ্যত্ৰ মত আমাক পৰিচয় কৰাই দিছিল। সেইবোৰ হ'ল আত্ম-মূল্যাংকন আৰু উন্নয়নৰ পৰিকল্পনা। "নেতৃত্ব সম্পৰ্কে দৃষ্টিভংগী ঃ আত্ম-মূল্যায়ন আৰু নেতৃত্ব সম্পৰ্কে বিদ্যালয়ক পথ প্ৰদৰ্শন" (Perspective on leadership : leading the school's self-review and Perspective leadership : School development plan) মই জিৰণিৰ সময়ছোৱালৈ অপেক্ষা কৰিছিলো যাতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ উন্নতি হোৱাৰ ভাল খবৰটো মোৰ সহকৰ্মীসকলক দিব পাৰো।

আত্ম-মূল্যাংকন নামৰ পাঠ গোটটো আলোচনাৰ সময়ত মই বিদ্যালয়ৰ কিছু ক্ষেত্ৰত ভাল ফলাফল দেখি সন্তুষ্টি অনুভৱ কৰিছো। কিন্তু

তেতিয়া প্ৰশিক্ষাৰ্থীসকলে আমাক আমাৰ শিক্ষকসকলৰ বিষয়ে কিছুমান প্ৰ.ন সোধে যে বিদ্যালয়খন সন্দৰ্ভত তেওঁলোকে কি ভাবে। মোৰ তিনিগৰাকী সতীৰ্থ শিক্ষক আছে, কিন্তু মই উপলব্ধি কৰিছো বিদ্যালয়ত পৰিৱৰ্তনৰ বাবে মই যি কৰিছো সেই ক্ষেত্ৰত তেওঁলোকে কি ভাবে মই নাজানো। তেওঁলোকে মই যিটোকে কৰিবলৈ কওঁ কোনো আপত্তি নকৰাকৈ কৰে।

মই উপায়ান্তৰ হৈ কণমানি শিক্ষাৰ্থীসকলৰ বাবে বেলেগ শিক্ষকৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো, যাতে তেওঁলোকক দুবাৰকৈ শিকাব পাৰি। দুপৰীয়া আহাৰৰ সময়ত জিলা শিক্ষা বিষয়াগৰাকীয়ে বৰ্ণনা কৰিলে যে তেওঁ কাকোৱেই ব্যৱস্থা কৰি দিব নোৱাৰে। তেওঁ ক'লে যে দুজন মানুহক এই সন্দৰ্ভত অনুৰোধ কৰিছিল যদিও তেওঁলোকে সন্মতি নিদিলে, কাৰণ মোৰ বিদ্যালয়ত থাকিলে তেওঁলোকে অধিক কষ্ট কৰিব লাগিব। তদুপৰি তেওঁ লগতে এইটোও প্ৰকাশ কৰিলে যে মোৰ এই বিদ্যালয়খনৰ পৰা বেলেগলৈ যাব পাৰি নেকি বুলিও এজন শিক্ষকে তেওঁক সুধিছিল। মই যথেষ্ট আচৰিত আৰু হতাশ হ'লো।

উন্নয়নৰ পৰিকল্পনাৰ আলোচনাৰ দিশে অগ্ৰসৰ হোৱাৰ সময়ত মই উপলব্ধি কৰিবলৈ ধৰিলো যে মই একনায়কত্ববাদীৰ দৰে আচৰণ কৰিছো নেকি। মই বিদ্যালয়ৰ উন্নতি হ'ব পৰাকৈ বহু সিদ্ধান্তই লৈছিলো আৰু বহু পৰিৱৰ্তন কাৰ্যকৰী কৰিছিলো, কিন্তু কোনো আলোচনাতে মই মোৰ শিক্ষকসকলক জড়িত কৰিব নোৱাৰিলো। মই তেওঁলোকৰ অভিজ্ঞতাৰ মূল্য দিয়াৰ দৰে দেখুৱালো। আচৰিত নোহোৱাকৈ তেওঁলোকৰ একাংশক অৱসাদগ্ৰস্তযেন লাগিল।

বিদ্যালয়লৈ শিক্ষাৰ্থী আহি আছে যদিও মই শিক্ষকসকলৰ অধিক তত্ত্বাৱধান লোৱাৰ কথা ভাবিলো। মই প্ৰশিক্ষণ শেষ কৰি বিদ্যালয়লৈ ঘূৰি গ'লো আৰু তেওঁলোকক অধিক সহমৰ্মিতাৰে আৰু সহায়-সহযোগ দিলো। পৰৱৰ্তী কৰ্মচাৰী বৈঠকত সচৰাচৰ প্ৰশাসনিক দিশৰ কথাৰ লগতে বিদ্যালয়খন কেনেকৈ অধিক ভাল কৰিব পাৰি সেই বিষয়ে ক'লো। মই আচৰিত হ'লো যে তেওঁলোকে এনে কিছুমান দিশ যেনে উন্মোচন কৰিলে ফলাফল আৰু উপস্থিতিৰ বিষয়তকৈও শ্ৰেণীকোঠাত ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ আৰু জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীৰ কনিষ্ঠসকলৰ প্ৰতি সহানুভূতিশীল আচৰণ প্ৰদৰ্শন কৰিছে। মই সঁচাকৈয়ে এইধৰণৰ সামাজিক দায়বদ্ধতাৰ কথা ভবাই নাছিলো।

তাৰ পাছত আমি উন্নয়নমূলক কিছুমান কথা আলোচনা কৰিলো। কিন্তু মোৰ ভৰ হৈছিল যে মানুহখিনি এই বিষয়ত সমালোচনামুখৰ হ'ব নেকি। মই শিক্ষকসকলক এখন তালিকা প্ৰস্তুত কৰি একেলগে কাম কৰিবলৈ সিদ্ধান্ত ল'ব ক'লো, যাতে মই যি কৰিছো সেয়া তেওঁলোকে সমালোচনা কৰিলেও বিতৰ্ক নহয়। তাৰ পিছত মই প্ৰত্যেকগৰাকী শিক্ষকক এজন এজনকৈ লগ কৰিবৰ বাবে জনালো, যাতে তেওঁলোকে কাম কৰাৰ ধৰণ সন্দৰ্ভত কি কয় বা কোনবোৰ দিশক গুৰুত্ব দিয়ে তাক ভালকৈ শুনিব পাৰিম আৰু তেওঁলোকক ব্যক্তিগতভাৱে জানিব পাৰিম। কিছু সময়ৰ পাচত আমাৰ কথোপকথন মুক্ত আৰু নম্ৰভাৱে আৰম্ভ হ'ল। আমি একেলগে বিদ্যালয়খনক ক্ষুদ্ৰ প্ৰচেষ্টাৰ জৰিয়তে কেনেকৈ ভাল কৰিব পাৰি সেই সম্পৰ্কে বহুখিনি ৰখা শিকিলো।

## **চিন্তনীয়** (Pause for though)

এই ঘটনা অধ্যয়নটো বিবেচনা কৰক। আপোনাৰ শিক্ষকসকলে আপোনাৰ বিদ্যালয়ত কাম কৰি ভাল পায়নে? তেওঁলোকে কামৰ মূল্য, সমৰ্থন আৰু এইবোৰ প্ৰতিফলিত হোৱা বুলি অনুভৱ কৰেনে?

# আপোনাৰ শিক্ষকসকলৰ ওপৰত ধ্যান দিয়া



চিত্ৰ ২ ঃ শিক্ষকসকলে আপোনাৰ বৃত্তিগত উন্নয়নৰ উদহাৰণ অনুকৰণ কৰিব।

নিজৰ শিকনৰ ওপৰত আপোনাৰ মনোভাৱ বৃত্তিগত উন্নয়নৰ ক্ষেত্ৰত শিক্ষকসকলৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পৰে। আপোনাৰ দক্ষতাৰ বিকাশ আৰু পৰিৱৰ্তনৰ বাবে সক্ষম হৈ থকা দেখি তেওঁলোকেও নিজে নিজে পৰিৱৰ্তন আৰু বিকাশৰ বাবে উৎসাহিত হ'ব। আপোনাৰ মহান সমলটোৱেই হৈছে আপোনাৰ শিক্ষকসকল আৰু তেওঁলোকক যিমানদূৰ সম্ভৱ উত্তম শিক্ষক হোৱাত সুযোগ প্ৰদান কৰা প্ৰয়োজন। আপুনি তেওঁলোকক আপোনাতকৈও ভাল শিক্ষক হোৱা প্ৰয়োজন বুলি আশা কৰক।

আপুনি একাংশ বিদ্যালয়ৰ মুৰব্বীয়ে নেতৃত্ব কৰা শিক্ষক সন্দৰ্ভত কৰা কথোপকথনৰ ভিডিঅ' প্ৰত্যক্ষ কৰক।

ভিডিঅ' ঃ বিদ্যালয়ৰ নেতৃত্ব - নেতৃত্ব কৰা শিক্ষকসকল Video : School Leadership-Leading teachers.

ভিডিঅ' ঃ বিদ্যালয়ৰ নেতৃত্ব ঃ শিকন পৰিৱেশ। Video : School Leadership-The teaching environment

ভিডিঅ' ঃ বিদ্যালয়ৰ নেতৃত্ব - শিকন-শিক্ষণৰ নেতৃত্ব কৰা। Video : School Leadership-Leading teaching and learning.

TESS-Indiaৰ শিক্ষক উন্নয়নৰ মুক্ত শৈক্ষিক সমলবোৰ হৈছে আপোনাৰ শিক্ষকসকলে নতুন শিক্ষণ শৈলী আৰু ধাৰণাৰ প্ৰতি যত্নপৰ হোৱাৰ সহায়ক সঁজুলি। তেওঁলোকে শিক্ষকক এগৰাকী 'শিকাৰু' হিচাপে অভিহিত কৰি এই সামগ্ৰীসমূহৰ সহায়ত তেওঁলোকৰ পাৰদৰ্শিতা উন্নতি কৰিব আৰু সকলো সহকৰ্মীয়ে একেলগে বৃত্তিৰ অনুশীলনৰ জৰিয়তে শিক্ষণ আৰু শিকন পদ্ধতিৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পৰিব।
এগৰাকী শিক্ষক হ'বলৈ শিকাটো এটা জটিল আৰু দীঘলীয়া প্ৰচেষ্টা। শিক্ষকৰ শিকন আৰু উন্নয়নৰ ধাৰণাৰ বিভিন্ন ৰূপৰেখাবোৰ পৰামৰ্শ দি অহা হৈছে। কিন্তু ইয়াৰে নিৰ্দিষ্ট এটাইহে এগৰাকী কৃতী শিক্ষকৰ জ্ঞানৰ ক্ষেত্ৰখনক চিনাক্ত কৰাত সহায় কৰে। (Shulman and Shulman,2007)।

- দৃষ্টিভংগী
- প্ৰণোদন
- বোধগম্যতা
- অনুশীলন
- প্ৰতিফলন বা বিচাৰ-বিবেচনা
- জনসাধাৰণ।

এইবোৰ ২ নং তালিকাত অন্বেষণ কৰা হৈছে।

**তালিকা ২ ঃ এগৰাকী কৃতী শিক্ষক সন্দৰ্ভত মতামত** (Shulman and Shulman,2007 **পৰা সংগৃহীত**)।

| **বৈশিষ্ট্য** | **মতামত** |
|---|---|
| দৃষ্টিভংগী | ভাল শিক্ষকসকলে কি আহৰণ কৰিবলৈ চেষ্টা কৰে, শিকাৰু, জ্ঞান আৰু শিকন সন্দৰ্ভত কেনেধৰণৰ বি ধাস ৰাখে তাৰ এটা স্পষ্ট দৃষ্টিভংগী থকা উচিত। ভাল শিক্ষকে তেওঁলোকৰ অভিজ্ঞতাৰ ক্ষেত্ৰত গ্ৰহণ কৰা দৃষ্টিভংগী আৰু সেইবোৰত নিজকে প্ৰতিফলন কৰিবলৈ আগ্ৰহী হোৱা উচিত। |
| প্ৰণোদন | ভাল শিক্ষকে উৎকৰ্ষ সাধন  আৰু উন্নয়নৰ বাবে প্ৰণোদিত কৰা উচিত। |
| বোধগম্য | ভাল শিক্ষকে কি কৰে আৰু কেনেকৈ কৰে সেই বিষয়ে জনা প্ৰয়োজন। তেওঁলোকে শিকাবলগীয়া বিষয়টোৰ সন্দৰ্ভত জনা আৰু কেনেকৈ ফলপ্ৰসূভাৱে শিকাব পাৰি তাকো জনা প্ৰয়োজন। |
| অনুশীলন | ভাল শিক্ষকে স্বীকাৰ কৰে যে অনুশীলন এক জটিল প্ৰত্ৰি য়া আৰু বহু কষ্টৰ জৰিয়তে উন্নতি ঘটাব পাৰি। তেওঁলোকে জানে যে কোনবোৰ তত্ত্বৰ প্ৰয়োগ কৰিলে শ্ৰেণীকোঠাত তেওঁলোকে শিকিব পাৰিব। ভাল শিক্ষকে বিভিন্ন দিশত কৰা যত্নৰ জৰিয়তে পোৱা অভিজ্ঞতাৰ পৰা শিকে। |
| প্ৰতিফলন | ভাল শিক্ষকে কি কৰিছে সেই কৰ্মৰাজিৰ জৰিয়তে নিজক প্ৰতিফলিত কৰে আৰু অভিজ্ঞতাৰ পৰা শিকে। প্ৰতিফলন অবিহনে শিক্ষকৰ পৰিৱৰ্তনৰ সক্ষমতাৰ অভাৱ হয়। |
| জনসাধাৰণ | ভাল শিক্ষকে স্বীকাৰ কৰে যে তেওঁলোকো জনসাধাৰণ এটা অংশ যি একেই উদ্দেশ্য আৰু মূল্যবোধৰ ভাগ-বতৰা কৰে। জনসাধাৰণৰ পৰা সমৰ্থনো বিচাৰে আৰু জনসাধাৰণৰ বাবে সহায় আগবঢ়াব। |

## **চিন্তন** (Pause for though)

- আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলৰ ক্ষেত্ৰত এই ক্ষেত্ৰসমূহৰ জ্ঞান কেনেদৰে প্ৰয়োগ হয়?
- আপোনাৰ বিদ্যালয়ৰ কিমানজন শিক্ষকক আপুনি ভাল বুলি বৰ্ণনা কৰিব?
- আপোনাৰ বিদ্যালয়ৰ কৰ্মচাৰীসকলক একলগে ধৰিলে, কোনটো দিশত অধিক উন্নয়নৰ প্ৰয়োজন অনুভৱ কৰে?

TESS-Indiaৰ মুক্ত  শৈক্ষিক সমলবোৰে শিক্ষকৰ শিকনৰ এইসকলো দিশতে সমৰ্থন কৰে। মুক্ত  শৈক্ষিক সমলবোৰে অন্তৰ্নিহিত ধাৰণাবোৰৰ প্ৰতি প্ৰত্যাহ্বান আনে আৰু শিক্ষকসকলক শ্ৰেণীকোঠাত নতুন শিক্ষাদান শৈলীৰ প্ৰতি যত্নপৰ হোৱাত প্ৰণোদিত কৰে। বিদ্যালয়ৰ মুৰব্বী হিচাপে আপুনি শিক্ষকসকলক উৎসাহ যোগায় আৰু তেওঁলোকক একেলগে কাম কৰাৰ সুযোগ দিব পৰা এক পদত অধিষ্ঠিত।

# 7 সাৰাংশ 7 Summary

শিক্ষা ব্যৱস্থাত শেহতীয়াকৈ অহা পৰিৱৰ্তনে ভাৰতীয় বিদ্যালয়ৰ মুৰব্বীসকলক অধিক দায়বদ্ধ কৰাৰ সম্ভাৱনা আছে, কিন্তু তেওঁলোকে আপোনাৰ বিদ্যালয়ৰ পৃথক পাৰ্থক্য নিৰূপণ কৰি সুযোগ সৃষ্টি কৰিব আৰু শিক্ষাৰ্থীৰ শিক্ষণৰ ফলাফলৰ ওপৰত পৰা প্ৰভাৱো সহ্য কৰিব লাগিব। আপুনি যি বৃত্তিত জড়িত সেয়া পৰিৱৰ্তনশীল আৰু আপোনাক বিদ্যালয়ত অহা পৰিৱৰ্তনৰ গুণাগুণ আৰু পাৰদৰ্শিতা প্ৰদৰ্শনৰ বাবে কোৱা হ'ব। TESS-Indiaৰ মুক্ত শৈক্ষিক সমলবোৰে এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সহায় কৰে, বিশেষকৈ তেওঁলোকক পৃথকে কাম-কাজ কৰিবলৈ পতিয়ন নিয়ায় আৰু NCF 2005 আৰু NCFTE 2009ৰ ৰাষ্ট্ৰীয় নীতিয়ে নিৰ্দেশ কৰা নতুন কাম গ্ৰহণ কৰে।

এই গোটত আপোনাক এগৰাকী সক্ৰিয় শিকাৰু আৰু সমাধানভিত্তিক কামৰ আৰ্হি প্ৰস্তুতকৰ্তা হিচাপে আপোনাৰ জ্ঞান আৰু পাৰদৰ্শিতাৰ বাকী থকাখিনি সম্পূৰ্ণ কৰাত গুৰুত্ব দিয়া হৈছে। এই গোটত কাম কৰা সময়ত আপুনি TESS-India স্কুল লিডাৰশ্বিপৰ মুক্ত শৈক্ষিক সমলবোৰ ব্যৱহাৰ কৰি এটি শিকন পৰিকল্পনা প্ৰস্তুত কৰি লওক। আপুনি এই পৰিকল্পনামতে কাম কৰি নিজৰ উন্নতিৰ নিৰীক্ষণ আৰু শিকন সন্দৰ্ভত উপযুক্ত সময়ত আপোনাৰ সহকৰ্মীকো অংশীদাৰ কৰক।

## সমলবোৰ

## সমল ১ ঃ TESS-Indiaৰ সমলবোৰৰ সাৰাংশ

(Resource 1 : Summery of TESS-India Resources)

### স্কুল লিডাৰশ্বিপৰ মুক্ত শৈক্ষিক সমলবোৰ (আপোনাৰ বাবে)


### School Leadership OERs (for you)

বিদ্যালয়ৰ মুৰব্বী (প্ৰধান শিক্ষক, অধ্যক্ষ তথা উপ-প্ৰধান আৰু এনে ভূমিকাত অধিষ্ঠিতসকল)ৰ বাবে চল্লিটা মুক্ত শৈক্ষিক সমলৰ চানেকি (Design) প্ৰস্তুত কৰা হৈছে। এই মুক্ত শৈক্ষিক সমলবোৰে বিদ্যালয়ৰ মুৰব্বীগৰাকীক বিভিন্ন দিশত তেওঁৰ ভূমিকা পালন কৰাত সহায় কৰে আৰু ইয়াত বিদ্যালয় এখনক পৰিৱৰ্তন আৰু উন্নতিৰ দিশে অগ্ৰসৰ কৰি নিয়াৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰক্ৰিয়া তথা পদ্ধতিও অন্তৰ্ভুক্ত থাকে। সেইবোৰে মুৰব্বীসকলক শিকন আৰু শিক্ষণৰ প্ৰকৃত পৰিৱৰ্তন অনাত সক্ষম হোৱাকৈ সহায় কৰাৰো চানেকি প্ৰস্তুত কৰে আৰু বিদ্যালয়বোৰেও অধিক ফলপ্ৰসূ তথা সহযোগিতাৰে শিকোৱাত অধিক গুৰুত্ব দিয়ে। এইবোৰ সমলতৃত তালিকাভুক্ত কৰা হৈছে।

### মুখ্য সমলবোৰ Key resources

TESS-Indiaৰ মুক্ত শৈক্ষিক সমলবোৰ দহটা মূল সমলৰ সমষ্টি। এই মূল সমলবোৰ যিবোৰ সকলো বিষয় তথা সকলো পৰ্যায়ত প্ৰযোজ্য, সেইবোৰে আপোনাক তথা আপোনাৰ শিক্ষকসকলকো TESS-Indiaৰ মুক্ত শৈক্ষিক সমলৰ শিক্ষাদানশৈলীৰ মূল অনুশীলন সন্দৰ্ভত অধিক অনুশীলনৰ পৰামৰ্শ আগবঢ়ায়। এইবোৰত শিক্ষাৰ্থীক সংগঠিত কৰাৰ উপায়, শিকন ক্ৰিয়া-কলাপ আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা শিক্ষাৰ্থীৰ মাজৰ বাৰ্তালাপ সন্নিৱিষ্ট কৰা হৈছে। এই মুখ্য সমলবোৰ মুক্ত শৈক্ষিক সমলবোৰৰ সৈতে যথোপযুক্তভাৱে সংঘবদ্ধ প্ৰশিক্ষণ তথা অন্যান্য বিষয়ত ব্যৱহাৰ কৰিব পৰাকৈ ব্যক্তিগত নথি হিচাপেও উপলব্ধ।

### দৃশ্য-শ্ৰব্য সামগ্ৰী Audio-visual material

ইয়াত কিছুমান ভিডিঅ' ক্লিপ আছে যিবোৰ মূল সমলৰ বিষয়বস্তু, শ্ৰেণীকোঠাৰ অংশগ্ৰহণকাৰী কৌশলৰ ব্যাখ্যাৰ সৈতে সাদৃশ্য আছে। এই ক্লিপসমূহে ভাৰতীয় শ্ৰেণীকোঠাৰ শিক্ষক আৰু শিক্ষাৰ্থীয়ে অনুশীলনত অংশ লোৱাৰ প্ৰসাৰতা আৰু তেওঁলোকৰ নিৰ্দিষ্ট ক্ৰিয়া-কলাপ আৰু আচৰণ সন্দৰ্ভত দৰ্শকে নিৰীক্ষণ তথা তত্ত্বাৱধান কৰিব পৰাকৈ এক বিৱৰণীও সন্নিৱিষ্ট কৰা থাকে। এই ভিডিঅ' ক্লিপবোৰ হিন্দীভাষাত শ্বুটিং কৰা হয় পিছত বেলেগ বেলেগ ৰাজ্যৰ স্থানীয় ভাষালৈ ভাষান্তৰ কৰা হয়। ভিডিঅ' ,  ক্লিপবোৰ মুক্ত

শৈক্ষিক সমলৰ লগত অন্তৰ্ভুক্ত কৰিবলৈ উপযুক্ত ভিডিঅ’ আইকন ব্যৱহাৰ কৰা হয় আৰু এইবোৰ ব্যৱহাৰকাৰীসকলে অনলাইনৰ পৰা পাব পাৰে। ব্যৱহাৰকাৰীয়ে এই ক্লিপবোৰ ডাউনলোড কৰি টেবলেট, কম্পিউটাৰ, ভিচিডি আৰু এছ ডি কাৰ্ড থকা ম’বাইলতো চাব পাৰে।

## শিক্ষক উন্নয়নৰ মুক্ত শৈক্ষিক সমলবোৰ (আপোনাৰ শিক্ষকৰ বাবে)

### Teacher Development OERs (for your teachers)

ভাষা আৰু স্বাক্ষৰতা, প্ৰাৰম্ভিক ইংৰাজী, প্ৰাৰম্ভিক গণিত আৰু প্ৰাৰম্ভিক বিজ্ঞান প্ৰত্যেকৰে ৰণ্ডটাকৈ ছটা বিষয়ৰ মুঠ ছয়টা প্ৰাৰম্ভিক মুক্ত শৈক্ষিক সমল ক্ষেত্ৰ আছে। এই মুক্ত শৈক্ষিক সমলবোৰে শিক্ষক তথা শিক্ষাবিদ আৰু তেওঁলোকে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পৰাকৈ ব্যৱহাৰিক ধাৰণাৰ যোগান ধৰে।

## সমল ২ ঃ মুৰব্বীৰ পাৰদৰ্শিতাৰ পৰীক্ষণ (Resource 2: Leadership Competencies Audit)

*তালিকা R2.1 মুৰব্বীৰ পাৰদৰ্শিতাৰ পৰীক্ষণ (Macbeath আৰু Myers,1999ৰ পৰা সংগৃহীত)*

| মুৰব্বীৰ পাৰদৰ্শিতা | | আপুনি কেনেকৈ ইয়াৰ হাৰ উলিয়াব (টিক মাৰ্ক দিয়ক) | | | কেনেকুৱা পৰিৱেশত আপুনি শেষবাৰ কৰিছিলে |
|---|---|---|---|---|---|
| | | আনৰ সৈতে কাম কৰা | যথোপযুক্ত পাৰ্গতাল | নামমাত্ৰ পাৰ্গতালি | |
| আনৰ সৈতে কাম কৰা | আনক সহায়-সহযোগ দিয়া | | | | |
| | ব্যক্তিগত প্ৰচেষ্টাক স্বীকৃতি দিয়া | | | | |
| | আনলোকৰ আত্ম-সন্মানৰ উন্নতি ঘটোৱা | | | | |
| | উন্নয়ন আৰু প্ৰতিফলনৰ সুযোগ প্ৰদান কৰি আনৰ বিকাশ ঘটোৱা | | | | |
| | উৎকণ্ঠা হ্ৰাস কৰা | | | | |
| চিন্তাপ্ৰসূত আৰু অনুভৱশীল শ্ৰোতা | বায়দানৰ পূৰ্বে বুজাৰ চেষ্টা কৰা | | | | |
| | ব্যক্তিগত ধাৰণা আৰু সমস্যাবোৰ শুনা | | | | |
| | সক্ৰিয়ভাৱে উৎসাহজনক প্ৰতিপুষ্টি দিয়া | | | | |

| মুৰব্বীৰ পাৰ্গতালি | | আপুনি কেনেকৈ ইয়াৰ হাৰ উলিয়াব (টিক মাৰ্ক দিয়ক) | | | কেনেকুৱা পৰিৱেশত আপুনি শেষৰবাৰ কৰিছিলে |
|---|---|---|---|---|---|
| | | আনৰ সৈতে কাম কৰা | যথোপযুক্ত পাৰ্গতালি | নামমাত্ৰ পাৰ্গতালি | |
| আনক ক্ষমতাশালী কৰা | সিদ্ধান্ত গ্ৰহণ আৰু দায়িত্ব পালনৰ বাবে আনক ক্ষমতাশালী কৰা | | | | |
| আচৰণৰ আৰ্হি | ব্যক্তিগত সংহতি প্ৰদৰ্শন কৰা | | | | |
| | আপুনি আগবঢ়াই নিব খোজা গুণাগুণ আৰু মূল্যবোধৰ আৰ্হি প্ৰস্তুত কৰা | | | | |
| | উৎসাহ দেখুওৱা | | | | |
| সিদ্ধান্ত গ্ৰহণত সক্ৰিয় ভূমিকা পালন কৰা | লক্ষ্য আৰু স্পষ্ট দৃষ্টিভংগী প্ৰদৰ্শন | | | | |
| | সিদ্ধান্ত গ্ৰহণ কৰা | | | | |
| | মূল বিচাৰ্য্যবিষয়সমূহ বুজিবলৈ উদ্যোগ গ্ৰহণ কৰা | | | | |

| মুৰব্বীৰ পাৰ্গতালি | | আপুনি কেনেকৈ ইয়াৰ হাৰ উলিয়াব (টিক মাৰ্ক দিয়ক) | | | কেনেকুৰা পৰিৱেশত আপুনি শেষৰবাৰ কৰিছিলে |
|---|---|---|---|---|---|
| | | | | আপুনি কেনেকৈ ইয়াৰ হাৰ উলিয়াব (টিক মাৰ্ক দিয়ক) | |
| পৰিৱৰ্তনৰ তত্ত্বাৱধান | কোনো কাম কৰাৰ ক্ষেত্ৰত নতুন উপায় অৱলম্বনত উৎসাহ যোগোৱা | | | | **কেনেকুৰা পৰিৱেশত আপুনি শেষৰবাৰ কৰিছিলে** |
| | ভৱিষ্যতৰ সম্ভাব্য প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা | | | | |
| | ভুলবোৰ শিকাৰ সুযোগ হিচাপে গণ্য কৰা | | | | |
| দলীয় কামৰ প্ৰতি উৎসাহ যোগোৱা | সকলোকে জড়িত কৰিব পৰাকৈ দলীয় কাম-কাজক উৎসাহিত কৰাত উদ্যোগ গ্ৰহণ কৰা | | | | |

# সমল ৩ ঃ স্কুল লিডাৰ্ৰ্শিপৰ তথা নেতৃত্বৰ শিকন ফলাফল

তালিকা R3.1 TESS-India **স্কুল লিডাৰ্শিপ মুক্ত শৈক্ষিক সমলৰ শিকন ফলাফল**

***Table R3.1** Learning outcomes of the TESS-India School Leadership OERs.*

| NCSL মূল ক্ষেত্ৰ | OER শিৰোনাম | শিকন ফলাফল |
|---|---|---|
| প্ৰশিক্ষণ (Orientation) | সমৰ্থবান (Enabler) হিচাপে প্ৰাথমিক বিদ্যালয়ৰ মুৰব্বী | • স্কুল লিডাৰ্শিপৰ দক্ষতাৰ পুনৰীক্ষণ আৰু উন্নতি কৰিব লগা ক্ষেত্ৰবোৰৰ চিনাক্ত কৰণ কৰা<br>• আপোনাৰ শিকন পথৰ পৰিকল্পনা কৰাত TESS-India স্কুল লিডাৰ্শিপৰ মুক্ত শৈক্ষিক সমলবোৰ ব্যৱহাৰ কৰক যাতে আপোনাৰ স্কুল লিডাৰ্শিপ দক্ষতা বৃদ্ধি হয়।<br>• আপোনাৰ বিদ্যালয়ত শিকনৰ সাৰ্থক হ'বলৈ কি উপায় অৱলম্বন কৰিব লাগে। |
| | সমৰ্থবান ব্যক্তি হিচাবে (Enabler)হিচাপে মাধ্যমিক বিদ্যালয়ৰ মুৰব্বী | • স্কুল লিডাৰ্শিপৰ দক্ষতাৰ পুনৰীক্ষণ আৰু উন্নতি কৰিব লগা ক্ষেত্ৰবোৰ চিনাক্ত কৰণ কৰা<br>• আপোনাৰ শিকন পথৰ পৰিকল্পনা কৰাত TESS-India স্কুল লিডাৰ্শিপৰ মুক্ত শৈক্ষিক সম্পদবোৰ ব্যৱহাৰ কৰক যাতে আপোনাৰ স্কুল লিডাৰ্শিপৰ দক্ষতা বৃদ্ধি হয়।<br>• আপোনাৰ বিদ্যালয়ত শিকনৰ সমৰ্থক হ'বলৈ কি উপায় অৱলম্বন কৰিব লাগে। |
| নেতৃত্বসম্পৰ্কে দৃষ্টিভংগী | আপোনাৰ বিদ্যালয়ৰ বাবে অংশীদাৰী উন্নতিৰ পৰিকল্পনা কৰা | • বিদ্যালয়ৰ উন্নতিৰ পৰিকল্পনাই কেনেকৈ এখন বিদ্যালয়ৰ কাম-কাজৰ দৈনিক উন্নতিৰ জাননী দিয়ে।<br>• আপোনাৰ নিজৰ বিদ্যালয়ৰ উন্নতিৰ পৰিকল্পনা কেনেদৰে নিৰূপণ কৰিব।<br>• শিক্ষাৰ্থীসকলক পৃথককৈ গঢ় দিব পৰাকৈ উন্নতিৰ পৰিকল্পনাৰ উন্নয়ন আৰু কাৰ্যকৰী কৰাত আনক কেনেদৰে জড়িত কৰিব। |
| | বিদ্যালয়ৰ আত্ম-পুনৰীক্ষণৰ অগ্ৰগতি | • বিদ্যালয়ৰ আত্ম-পুনৰীক্ষণৰ সুবিধা আৰু প্ৰত্যাহ্বান<br>• বিদ্যালয়ৰ আত্ম-পুনৰীক্ষণৰ প্ৰকৃতি আৰু পুনৰীক্ষণ চত্ৰ<br>• গুণগত আৰু পৰিমাণগত তথ্য সংগ্ৰহ আৰু ব্যৱহাৰ কেনেকৈ কৰা হয়। |
| | বিদ্যালয় উন্নয়ন পৰিকল্পনাৰ অগ্ৰগতি | • ফলপ্ৰসূ বিদ্যালয় পৰিকল্পনা পদ্ধতিৰ মূল বৈশিষ্ট্যবোৰ।<br>• শিক্ষাৰ্থীৰ শিক্ষণৰ বিদ্যালয়ভিত্তিক উন্নয়নৰ বাবে পৰিকল্পনা কৰা।<br>• বিদ্যালয় পৰিকল্পনাত অংশীদাৰ, বিশেষকৈ উন্নয়ন পৰিকল্পনাত পৰিচালনা কমিটীক জড়িত কৰা ।<br>• বিদ্যালয়ৰ উন্নয়ন ফলপ্ৰসু পৰিকল্পনা প্ৰস্তুত কৰা আৰু তাৰপাছত শিক্ষাৰ্থীক ফলাফলৰ পাৰ্থক্য লক্ষ্য কৰা |

| NCSL মূল ক্ষেত্ৰ | OER শিৰোনাম | শিকন ফলাফল |
|---|---|---|
| নেতৃত্বৰ ভৱিষ্যৎ Perspective on leadership | আপোনাৰ বিদ্যালয়ৰ উন্নতিৰ বাবে বিবিধ তথ্য ব্যৱহাৰ কৰা | • শিক্ষাৰ্থীৰ অত্যধিক শিকাৰ তথ্য নিশ্চিত কৰিবলৈ বিচিত্ৰতাৰ অতীব প্ৰয়োজন।<br>• তথ্যৰ ধৰণ আৰু তথ্য সংগ্ৰহৰ প্ৰকৃতি, যিবোৰে আপোনাক বুজাত সহায় কৰাৰ লগতে বিদ্যালয়ৰ বিভিন্ন ইছ্যুৰ সৈতেও মোকাবিলা কৰাত সহায় কৰিব।<br>• সংগৃহীত তথ্যবোৰ শিক্ষাৰ্থীৰ শিকন ফলাফল উন্নয়নৰ বাবে ব্যৱহাৰ কৰক আৰু কাৰ্য পৰিকল্পনা উন্নত কৰক।<br>• সংগৃহীত তথ্যসমূহ শীৰ্ষ শিক্ষক আৰু স্থানীয় সমুদায়ক একগোট কৰি সেইবোৰ বি ষণৰ জৰিয়তে সকলো শিক্ষাৰ্থীৰ উন্নত ফলাফল নিশ্চিত কৰক। |
| | আপোনাৰ বিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়নৰ অগ্ৰগতি | • বিদ্যালয়ৰ অন্তৰ্গত পৰিৱৰ্তনৰ বাহ্যিক আৰু আভ্যন্তৰীণ নিয়ন্ত্ৰাক চিনাক্ত কৰণ।<br>• কাৰ্যকৰী পৰিৱৰ্তনৰ বাবে প্ৰত্যাহ্বান চিনাক্ত কৰণ।<br>• আপোনাৰ বিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়নৰ অগ্ৰগতিৰ বাবে উপযোগী ব্যৱস্থা লোৱা।<br>• শৈক্ষিক নেতৃত্বৰ দৃষ্টিভংগী চিনাক্ত কৰক আৰু এইবোৰ আপোনাৰ দৃষ্টিভংগীৰ সৈতে সম্পৰ্ক ৰাখক।<br>• এটা পৰিৱৰ্তন প্ৰকল্পৰ জৰিয়তে আনক উদাহৰণ, উৎসাহ আৰু প্ৰণোদনৰ দ্বাৰা আগবঢ়াই নিয়ক। |
| | আপোনাৰ বিদ্যালয়ৰ কাৰ্যকৰী পৰিৱৰ্তন | • পৰিৱৰ্তন প্ৰক্ৰি য়াৰ প্ৰকৃতি আৰু মানুহে এই পৰিৱৰ্তনৰ প্ৰতি কেনেকৈ সঁহাৰি জনায়।<br>• পৰিৱৰ্তনৰ কিছুমান মূল তত্ত্ব আৰু বিদ্যালয়ৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসংগিকতা।<br>• কাৰ্যকৰী পৰিৱৰ্তনৰ বাবে আনৰ সৈতে কিদৰে কাম কৰিব। |
| নিজাকৈ ব্যৱস্থা গ্ৰহণ আৰু উন্নতি সাধন কৰক | নিজাকৈ ব্যৱস্থা গ্ৰহণ আৰু উন্নতি সাধন কৰক | • আপোনাৰ কামৰ অগ্ৰাধিকাৰ, আনক অধিকাৰ দিয়া আৰু আপোনাৰ সময়ৰ ফলপ্ৰসূ ব্যৱহাৰৰ ব্যৱস্থা কৰক।<br>• আপোনাৰ ব্যক্তি গত আৰু বৃত্তিগত উন্নয়নৰ পৰিকল্পনা কৰা<br>• স্মাৰ্ট Smart উদ্দেশ্যবোৰৰ সৈতে আপুনি নিজক খাপ খুৱাওক। |
| শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন | প্ৰাথমিক বিদ্যালয়ত শিক্ষণ আৰু শিকনৰ উন্নতিৰ অগ্ৰগতি আনক | • শিক্ষাদানশৈলী আৰু TESS-India মুক্ত শৈক্ষিক সমলৰ গঠনৰ সৈতে অভ্যস্ত হোৱা।<br>• আপোনাৰ বিদ্যালয়ত মুক্ত শৈক্ষিক সমলৰ সৈতে অভ্যস্ত হোৱা আৰু ব্যৱহাৰ কৰাৰ বাবে প্ৰশংসা কৰা।<br>• আপোনাৰ বিদ্যালয়ত শিকনৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ অংশগ্ৰহণ বৃদ্ধিত গুৰুত্ব দিয়াটো চিনাক্ত কৰা।<br>• শিক্ষণ আৰু শিকনৰ বহনক্ষম উন্নয়ন কেনেকৈ কৰিব পাৰি ধাৰণা কৰা। |

| NCSL মূল ক্ষেত্ৰ | OER শিৰোনাম | শিকনৰ ফলাফল |
|---|---|---|
| শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন | মাধ্যমিক বিদ্যালয়ত শিক্ষণ আৰু শিকনৰ উন্নতিৰ অগ্ৰগতি আনক | • শিক্ষাদানশৈলী আৰু TESS-India মুক্ত শৈক্ষিক সমলৰ গঠনৰ সৈতে অভ্যস্ত হোৱা।<br>• আপোনাৰ বিদ্যালয়ত মুক্ত শৈক্ষিক সমলৰ সৈতে অভ্যস্ত হোৱা আৰু ব্যৱহাৰ কৰাৰ বাবে প্ৰশংসা কৰা।<br>• আপোনাৰ বিদ্যালয়ত শিকনৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ অংশগ্ৰহণ বৃদ্ধিত গুৰুত্ব দিয়াটো চিনাক্ত কৰা।<br>• শিক্ষণ আৰু শিকনৰ বহনক্ষম উন্নয়ন কেনেকৈ কৰিব পাৰি ধাৰণা কৰা। |
| | আপোনাৰ বিদ্যালয়ৰ মূল্যায়নৰ অগ্ৰগতি | • শিকনৰ বাবে মূল্যায়ন আৰু মূল্যায়নৰ বাবে শিকনৰ মাজত থকা পাৰ্থক্য বিচাৰ কৰা।<br>• গঠনমূলক মূল্যায়নৰ বিকাশৰ বাবে শিক্ষকৰ সৈতে এটা কৌশলৰ নেতৃত্ব দিয়া।<br>• সাক্ষ্য ব্যৱহাৰ কৰি শিক্ষকক সহায় কৰা আৰু গঠনমূলক মূল্যায়নৰ সময়ত তথ্য সংগ্ৰহ কৰি মতামত দিয়া যাতে শিক্ষাৰ্থীৰ শিকনৰ উন্নয়নত সহায় হয়। |
| | প্ৰদৰ্শনৰ উন্নতি কৰিবলৈ শিক্ষকসকলক সহায় সহযোগ কৰা | • শিক্ষকৰ প্ৰদৰ্শনৰ মূল্যায়ন কৰা।<br>• প্ৰতিগৰাকী শিক্ষকৰ ব্যক্তি গত প্ৰদৰ্শনৰ উন্নতিৰ পৰিকল্পনা কৰা।<br>• শিক্ষকৰ প্ৰদৰ্শন সন্দৰ্ভত কেনেকৈ গঠনমূলক আলোচনা কৰাৰ ব্যৱস্থা কৰা হয় তাৰ কিছুমান ধাৰণা কৰা ।<br>• শিক্ষকসকলৰ প্ৰদৰ্শন বাহাল ৰখাত ব্যৱহাৰ হোৱা কিছুমান ধাৰণা কৰা । |
| | নেতৃত্বত থকা শিক্ষকৰ বৃত্তিগত উন্নয়ন | • বিদ্যালয়ৰ উন্নতি আৰু শিক্ষাৰ্থীৰ শিকন ফলাফলত শিক্ষকৰ বৃত্তিগত উন্নয়নে কেনেকৈ প্ৰভাৱ পেলায়।<br>• আপোনাৰ শিক্ষকসকলে তেওঁলোকৰ বৃত্তিগত উন্নয়নৰ প্ৰয়োজনীয়তা মূল্যায়নত সহায় হোৱা কিছুমান ধাৰণা।<br>• সকলো শিক্ষকৰ বৃত্তিগত উন্নয়ন হ'ব পৰাকৈ পৰিকল্পনা, নিৰীক্ষণ আৰু সক্ষম কৰি তোলা। |
| | নিৰীক্ষণ আৰু ব্যক্তি গত যত্ন | • নিৰীক্ষণ আৰু প্ৰশিক্ষণৰ মাজত পাৰ্থক্য বিচাৰ কৰা, কেনেকৈ দুয়োটাই কৰ্মচাৰীৰ শিকনত সমৰ্থন কৰে।<br>• কৰ্মচাৰীসকলৰ সৈতে কথোপকথন কৰা, যাতে আপোনাৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকনৰ উন্নতি হয়।<br>• সহমত ফলাফল পাব পৰাকৈ নিৰীক্ষণ আৰু প্ৰশিক্ষণৰ পৰিকল্পনা কৰি প্ৰয়োগ কৰা।<br>• বিদ্যালয়ত প্ৰশিক্ষণ সংস্কৃতিৰ লাভালাভ বিবেচনা কৰা। |

| NCSL মূল ক্ষেত্ৰ | OER শিৰোনাম | শিকনৰ ফলাফল |
|---|---|---|
| শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন | আপোনাৰ বিদ্যালয়ত ফলপ্ৰসূ শিকন পদ্ধতিৰ বিকাশ ঘটোৱা | • বিদ্যালয় সংস্কৃতি কি আৰু ই শিকনত কেনেকৈ প্ৰভাৱ পেলায়।<br>• আপোনাৰ বিদ্যালয়ৰ সংস্কৃতি চিনাক্ত কৰিবলৈ আৰম্ভ কৰক।<br>• আপোনাৰ বিদ্যালয়ত শিকনৰ ধনাত্মক অংশীদাৰী সংস্কৃতিৰ বিকাশৰ বাবে কিছুমান কৌশল। |
| | আপোনাৰ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰাৰ বাবে আগভাগ লোৱা | • আপোনাৰ কৰ্মচাৰীসকলৰ সৈতে বৈচিত্ৰ্য, সমতা আৰু অন্তৰ্ভুক্তিৰ অংশীদাৰী বুজাবুজিৰ বিকাশ কৰা।<br>• আপোনাৰ সকলো শিক্ষাৰ্থীৰ শিকন ফলাফলৰ উন্নতিৰ বাবে কৰিব লগা কাম-কাজক অগ্ৰাধিকাৰ দিয়া।<br>• আপোনাৰ বিদ্যালয়ৰ আন পৰিকল্পনাৰ সৈতে সহযোগিতাৰে আৰু কাম-কাজ কাৰ্যকৰী কৰি অসুবিধাবোৰ বাছি উলিয়াই এইবোৰ বাহিৰ কৰা।<br>• আপোনাৰ মধ্যস্থতাৰ প্ৰভাৱৰ মূল্যায়নৰ গুৰুত্ব। |
| | শিক্ষাৰ্থীৰ ফলপ্ৰসূ শিকনৰ বাবে সমলৰ ব্যৱস্থা কৰা | • বিদ্যালয়ৰ বাহিৰে-ভিতৰে উপলব্ধ বৃহৎ পৰিসৰৰ সমলবোৰৰ বিষয়ে বোধগম্য হোৱা।<br>• আপোনাৰ বিদ্যালয়ৰ চৌপাশে থকা বিভিন্ন সমলৰ চিনাক্তকৰণ কৰা আৰু সেইবোৰ যে ব্যৱহৃত হৈ আছে তাক ধ্যান দিয়া।<br>• শিকনৰ ক্ষেত্ৰত সমলবোৰ উপযুক্ত আৰু ফলপ্ৰসূভাৱে ব্যৱহৃত হৈছে নে নাই তাক নিশ্চিত কৰিবলৈ কৰ্মচাৰীসকলক নিয়োগ কৰা।<br>• আপোনাৰ বিদ্যালয়ত সম্পদবোৰৰ ফলপ্ৰসূ ব্যৱহাৰ হোৱাৰ এক পৰিকল্পনা প্ৰস্তুত কৰা। |
| | আপোনাৰ বিদ্যালয়ত ব্যৱহৃত প্ৰযুক্তিৰ নেতৃত্ব দিয়া | • আপোনাৰ ৰাজ্যৰ মুখ্য প্ৰতিষ্ঠানসমূহৰ সৈতে ফলপ্ৰসূ সম্পৰ্ক গঢ়ি তোলা।<br>• আন বিদ্যালয় আৰু বে-চৰকাৰী সংস্থাসমূহৰ সৈতে সহযোগিতামূলক অংশীদাৰ গঢ়ি তোলা।<br>• সাম্প্ৰদায়িক সংস্থা বিশেষকৈ বিদ্যালয় পৰিচালনা কমিটীৰ সৈতে জড়িত হোৱা।<br>• শিক্ষাৰ্থীৰ শিকনৰ উন্নতিৰ বাবে অভিভাৱকৰ সৈতে জড়িত হোৱা আৰু সহযোগিতাৰে কাম কৰা। |
| অংশীদাৰৰ নেতৃত্ব Leading partnerships | অভিভাৱক আৰু বিদ্যালয়ৰ বিশাল সমুদায়ৰ সৈতে জড়িত হোৱা | • আপোনাৰ ৰাজ্যৰ মুখ্য প্ৰতিষ্ঠানসমূহৰ সৈতে ফলপ্ৰসূ সম্পৰ্ক গঢ়ি তোলা।<br>• আন বিদ্যালয় আৰু বে-চৰকাৰী সংস্থাসমূহৰ সৈতে সহযোগিতামূলক অংশীদাৰ গঢ়ি তোলা।<br>• সামাজিক সংস্থা বিশেষকৈ বিদ্যালয় পৰিচালনা কমিটীৰ সৈতে জড়িত হোৱা।<br>• শিক্ষাৰ্থীৰ শিকনৰ উন্নতিৰ বাবে অভিভাৱকৰ সৈতে জড়িত হোৱা আৰু সহযোগিতাৰে কাম কৰা। |

## সমল ৪ ঃ আপোনাৰ শিকন পৰিকল্পনা (Your Learnig Plan)

*তালিকা R4.1 শিকন পৰিকল্পনাৰ নেক্সা*

| পৰৱৰ্তী বৰ্ষৰ বাবে অগ্ৰাধিকাৰ আৰু প্ৰতিশ্ৰুতি (আহৰণ কৰিব লগা বিষয়বোৰৰ সৈতে জড়িত আপোনাৰ প্ৰচেষ্টা যেনে-বিদ্যালয়ৰ আত্ম-পুনৰীক্ষণ অথবা এখন এছ ডি পি লিখা ইত্যাদি অন্তৰ্ভুক্ত ) |
|---|
| |

| পৰৱৰ্তী তিনিমাহত অধ্যয়ন কৰিব লগা মুক্ত শৈক্ষিক সমলবোৰ |
|---|
| 1.<br>2.<br>3. |

| পৰৱৰ্তী এবছৰৰ ভিতৰত অধ্যয়ন কৰিব লগা মুক্ত শৈক্ষিক সমলবোৰ |
|---|
| 1.<br>2.<br>3.<br>4.<br>5. |

| অধ্যয়ন আৰু শিকনৰ বাবে মই কেনেকৈ সময় উলিয়াম ? |
|---|
| |

| মোৰ পৰিকল্পনাৰ যোগেদি ক'ত উপনীত হ'ব পাৰি ? |
| --- |
| |

| মোৰ পৰিকল্পনাত আঘাত হানিব পৰা যিকোনো দিশ মই কেনেকৈ এৰাই চলিম ? |
| --- |
| |

| মোৰ বাবে গোটবোৰ কেনেকৈ লাভ কৰিম ? |
| --- |
| |

| মোৰ শিকন আৰু আনুষংগিক দিশবোৰৰ প্ৰয়োগত সহায় হোৱাকৈ এগৰাকী সহযোগী পঢুৱৈ অথবা নিৰীক্ষক বিচাৰিবলৈ মই কি ব্যৱস্থা কৰিব লাগিব ? মই কেনে সময়ত তেওঁলোকৰ সৈতে কথা পাতিম ? |
| --- |
| |

| মই কেনেকৈ মোৰ শিকনৰ মূল্যায়ন কৰিম ? |
| --- |
| |

# Additional resources

- National Centre for School Leadership: http://www.nuepa.org/ncsl.html

# References/bibliography

Bruner, J. (1996)*The Culture of Education*. London: Harvard University Press.

Gardner, H. (1997) *Leading Minds: An Autonomyof Leadership*. London: HarperCollins.

Lave, J. and Wenger, E. (1991)*Situated Learning: Legitimate Peripheral Participation*.New York, NY: Cambridge University Press.

MacBeath, J. (1998) *Effective School Leadership: Responding to Change*. London: Paul Collins.

MacBeath, J. and Myers, K.(1999) *Effective School Leaders: How to Evaluate and Improve Your Practice*. Harlow: Pearson.

Shulman, L.S. and Shulman, J.H. (2007) 'How and what teachers learn: a shifting perspective', *Journal of Curriculum Studies*,vol. 36, no. 2, pp. 257–71. Available from: http://www.peaunesco.com.br/encontro2013/SHULMAN_How%20and%20What%20Teachers%20Learn_(JrCurriculumStudies_2004).pdf (accessed 27 January 2015).

Tyagi, R.S. (2011) *Academic Supervision in Secondary Schools: School-based Approach for Quality Management*. New Delhi: NUPEA.

Wenger, E. (1998)*Communities of Practice: Learning, Meaning and Identity*. New York, NY: Cambridge University Press.

## Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Table 1: adapted from: Gardner, H. (1997) *Leading Minds: An Autonomy of Leadership*. London: HarperCollins.

Table 2: adapted from Shulman, L.S. and Shulman, J.H. (2007) 'How and what teachers learn: a shifting perspective', *Journal of Curriculum Studies*, vol. 36, no. 2, pp. 257–71.

Table R2.1: adapted from: MacBeath, J. and Myers, K. (1999) *Effective School Leaders: How to Evaluate and Improve Your Practice*. Harlow: Pearson.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.